www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

অসম বার্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

তুমি যেতিয়া যন্ত্ৰণা ভোগ কৰা, তেতিয়া ঈশ্বৰক ধন্যবাদ দিলা, কাৰণযন্ত্ৰণা হ'ল জীৱাই থকাৰ নিশ্চিত লক্ষণ। - এলবাৰ্ট হুবাৰ্ড

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বার্তা' গোষ্ঠী -

প্ৰথম বছৰ ❑ সংখ্যা- ২৬৩ ❑ দেওবাৰ ❑ ০২ আগষ্ট, ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 263 ❑ Sunday ❑ 02nd August, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page-7

আজিৰে পৰা ৰাজ্যজুৰি লোকপিয়লৰ স্ব-গণনা প্ৰক্ৰিয়া

■ অনলাইন আৰু মোবাইলৰ যোগে নিজেই দাখিল কৰিব পাৰি তথ্য

■ ১৬টা ভাষাত উপলব্ধ প্লেটফৰ্ম, টোল-ফ্ৰী হেল্পলাইন ১৮৫৫

নিউজ ডেস্ক, অসম বার্তা, ১ আগষ্ট ঃ ২০২৭ চনৰ লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ বাবে ৰাজ্যজুৰি স্ব-গণনা (Self-Enumeration) প্ৰক্ৰিয়া আগষ্টক ২ আগষ্ট পৰা আৰম্ভ হ'ব বুলি ঘোষণা কৰিছে লোকপিয়ল পৰিচালন সঞ্চালকালয়ে। এই নতুন ব্যৱস্থাৰ জৰিয়তে নাগৰিকসকলে ঘৰলৈ গণনাকাৰী অহাৰ আগতেই নিজৰ স্মাৰ্টফোন অথবা অনলাইন পৰ্টলত প্ৰৱেশ কৰি নিজে নিজে প্ৰয়োজনীয় তথ্য প্ৰদান কৰাৰ সুবিধা লাভ কৰিব। শনিবাৰে জনতা ভৱনত আয়োজিত এক সংবাদ সম্মেলনত লোকপিয়ল পৰিচালন সঞ্চালক বিশ্বজিত পেগুৰে এই সম্পৰ্কে বিস্তাৰিতভাৱে অৱগত কৰে। তেওঁ জানিবলৈ দিয়ে যে তাহা লোকপিয়লখন দুটা পৰ্যায়ত সম্পন্ন কৰা হ'ব। প্ৰথম পৰ্যায়ত ২ আগষ্টৰ পৰা ১৬ আগষ্টলৈ স্ব-গণনা প্ৰক্ৰিয়া চলিব। ইয়াৰ পাছত দ্বিতীয় পৰ্যায় হিচাপে ১৭ আগষ্টৰ পৰা ১৫ ছেপ্টেম্বৰলৈ 'গৃহ লোকপিয়ল' অনুষ্ঠিত হ'ব, য'ত গণনাকাৰীসকলে পোনপটীয়াভাৱে ঘৰে ঘৰে গৈ তথ্য সংগ্ৰহ কৰিব। ❑ ৫ পৃষ্ঠাত

অজিত ডোভালক 'লোকমান্য তিলক ৰাষ্ট্ৰীয় বঁটা ২০২৬' প্ৰদান গৃহমন্ত্ৰী অমিত শ্বাহৰ

'স্বৰাজ মোৰ জন্মস্বত্ব' - তিলকৰ যুগান্তকাৰী চিন্তাৰ প্ৰশংসা

নেশ্যনেল ডেস্ক, অসম বার্তা, ১ আগষ্ট ঃ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা (NSA) অজিত ডোভালক শনিবাৰে পুনেত আয়োজিত এক বিশেষ সমাৰোহত 'লোকমান্য তিলক ৰাষ্ট্ৰীয় বঁটা ২০২৬'প্ৰদান কৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। লোকমান্য বাল গংগাধৰ তিলকৰ ❑ ৫ পৃষ্ঠাত

ধেমাজিত জীয়াঢলৰ সোঁতে মথাউৰি ভাঙি উটুৱাই লৈ গ'ল ঘৰ

অৰুণাচলৰ নেনাপেপো ৰবযুণৰ ফলত নদীৰ জলস্তৰ বৃদ্ধি

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ১ আগষ্ট ঃ উজনি অসমৰ বিভিন্ন জিলাত বানপানীৰ আতংক অব্যাহত থকাৰ মাজতে এইবাৰ ধেমাজি জিলাতো নতুনকৈ বানৰ সংকটে দেখা দিছে। শনিবাৰ, ১আগষ্টৰ ❑ ৬ পৃষ্ঠাত

ৰাজ্যিক দুৰ্যোগ সাহায্য পুঁজিলৈ কেন্দ্ৰীয় চৰকাৰৰ ৩৭৯.৩৫ কোটি টকা মুকলি

SDRF শিতানত অসমলৈ আগতীয়াকৈ মুকলি কেন্দ্ৰীয় অংশৰ প্ৰথম কিস্তি

নিউজ ডেস্ক, অসম বার্তা, ১ আগষ্ট ঃ অসমৰ বানপানিস্থিতি মোকাবিলাত সহায় কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক দুৰ্যোগ সাহায্য পুঁজি (SDRF)ৰ অধীনত ৩৭৯.৩৫ কোটি টকা মুকলি কৰিছে। শনিবাৰে কেন্দ্ৰীয় চৰকাৰে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে কেন্দ্ৰীয় অংশৰ এই প্ৰথম কিস্তিৰ ধন ৰাজ্য চৰকাৰলৈ হস্তান্তৰ কৰে। এই ধন সোনকালে মুকলি ❑ ৬ পৃষ্ঠাত

কেৰালাত প্ৰলংকাৰী বান-ভূমিস্খলনত ৪ জনৰ মৃত্যু ঃ ৰেড এলার্ট জাৰি

ইডুক্কি, কোট্টায়ম আৰু পাথানামথিট্টাত বহু লোক ধ্বংসস্তূপৰ তলত আৰদ্ধ

নেশ্যনেল ডেস্ক, অসম বার্তা, ১ আগষ্ট ঃ কেৰালাত ধাবাসাৰ বৃষ্টিপাতৰ ফলত সৃষ্টি হৈছে ভয়াবহ পৰিস্থিতি। ৰাজ্যখনত নেৰাজেপো ৰবযুণৰ বাবে সৃষ্টি হোৱা বান আৰু ভূমিস্খলনত এতিয়ালৈকে ৰঞ্জন লোকে প্ৰাণ হেৰুৱাইছে। লগতে বহু লোক ধ্বংসস্তূপৰ তলত আৰদ্ধ হৈ থকাৰ আশংকা কৰা হৈছে, যাৰ বাবে উদ্ধাৰকাৰী দলসমূহে দিন-ৰাতি একাধাৰে অভিযান চলাই আছে। শুক্ৰবাৰে নিশা কেৰালাৰ কেইবাখনো জিলাত অতি প্ৰবল বৰষুণ হয়। বিশেষকৈ পাথানামথিট্টা, ইডুক্কি আৰু কোট্টায়ম জিলাত বানপানী আৰু ভূমিস্খলনৰ ঘটনা সংঘটিত হয়। পৰিস্থিতিৰ অৱনতি ঘটাত ভাৰতীয় বতৰ বিজ্ঞান বিভাগে (IMD) ❑ ৬ পৃষ্ঠাত

শৈশৱৰ ভুলৰ পৰা শিক্ষা ল'ব পাৰি, শাস্তি নহয় পথ প্ৰদৰ্শনহে প্ৰয়োজন ঃ মোদী

'বিপথে পৰিচালিত শিশু' ছাত্ৰ-ছাত্ৰীক ক্ষমা কৰিবলৈ প্ৰধানমন্ত্ৰী মোদীৰ আহ্বান

নিউজ ডেস্ক, অসম বার্তা, ১ আগষ্ট ঃ মতৰ-মতৰ প্ৰতিবাদ সময়ত অনাকাংক্ষিত ভাষা ব্যবহাৰ কৰা ছাত্ৰ-ছাত্ৰীসকলক ক্ষমা কৰি দিবলৈ ৰাষ্ট্ৰপতি ৰাষ্ট্ৰভৱন ওচৰত আহ্বান জনাইছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। শুক্ৰবাৰে নিশা সামাজিক মাধ্যমত শেয়াৰ কৰা

এক ভিডিঅ'ৰ জৰিয়তে তেওঁ এই আবেদন জনায়। ভিডিঅ'টোত তেওঁ বিশেষকৈ জেন জেড (Gen Z) প্ৰজন্মৰ যুবক-যুবতীসকলৰ সম্বোধন কৰি কয় যে তেওঁলোকে প্ৰতিবাদৰ সময়ত কৰা গালি-গালাজবাবে সমাজে তেওঁলোকক ক্ষমা কৰি দিয়ক। ❑ ৬ পৃষ্ঠাত

বান-বিধ্বস্ত জিলাসমূহৰ বিদ্যালয়লৈ ২ লাখ ১০ হাজাৰ টকাৰ আৰ্থিক সহায়

তিনিমাহলৈ বিদ্যুৎ বিল মাফ, ১০ আগষ্টৰ ভিতৰত বিদ্যালয় খোলাৰ লক্ষ্য

নিউজ ডেস্ক, অসম বার্তা, ১ আগষ্ট ঃ ৰাজ্যৰ বানপীড়িত জিলাসমূহৰ পুনৰুদ্ধাৰ আৰু সাহায্য কাৰ্যক্ৰমত গতি আনি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শনিবাৰে ফেচবুক লাইভযোগে কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰে। তেওঁ জানিবলৈ দিয়ে যে বান-পৰিস্থিতি কিছু পৰিমাণে উন্নতি হৈছে, বিভিন্ন স্থানৰ ৰাইজে ঘৰলৈ যাবলৈ আৰম্ভ কৰিছে যদিও বহুতে এতিয়াও ৰিলিফ কেম্পত আশ্ৰয় লৈ আছে। লগতে বহু উপনদী এতিয়াও বিপদসীমাৰ ওপৰত বৈ থকা বুলি তেওঁ সতৰ্কবাণী জাৰি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰথমতে অৰুণোদয় আঁচনিৰ অধীনত ❑ ৬ পৃষ্ঠাত

শিৱসাগৰৰ বানপীড়িত অঞ্চল পৰিদৰ্শন মন্ত্ৰী পীযুষ হাজৰিকাৰ ঃ কৃষি পুনৰুদ্ধাৰৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ

ক্ষতিগ্ৰস্ত কৃষকলৈ বীজ-কঠীয়া যোগান, মৃতকৰ পৰিয়াললৈ ৪ লাখ টকাৰ অনুদান

ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ১ আগষ্ট ঃ অসম চৰকাৰৰ কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকাই শনিবাৰে শিৱসাগৰ জিলাত তেওঁৰ বান পৰিস্থিতি পৰ্যালোচনামূলক ভ্ৰমণ অব্যাহত ৰাখি বানৰ পিছত কৃষি খণ্ডৰ আৰম্ভা পৰ্যালোচনা কৰাৰ লগতে সাহায্য আৰু পুনৰ্স্থাপন ব্যৱস্থাৰ অগ্ৰগতিৰ বুজ লয়। দিনজোৱা কাৰ্যসূচীত তেওঁৰ সৈতে জিলাৰ অভিভাৰক মন্ত্ৰী বিমল বৰা উপস্থিত থাকে। দিনটোৰ আৰম্ভণিতে মন্ত্ৰীগৰাকীয়ে শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত কৃষি সঞ্চালক, উদ্যান শস্য সঞ্চালক, জিলা আয়ুক্ত আৰু কৃষি আৰু জলসিঞ্চন বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এক পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত শেহতীয়া বানপানীৰ ফলত কৃষি খণ্ডত হোৱা ক্ষতিৰ মূল্যায়ন কৰাৰ লগতে ❑ ৬ পৃষ্ঠাত

বানপীড়িত চাৰি জিলাৰ শিক্ষার্থীৰ ইউনিফৰ্ম ক্ৰয়ৰ বাবে মুকলি ৭.৬২ কোটি টকা

মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ পৰা 'ক' শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে শিক্ষার্থীসকলে লাভ কৰিব সুবিধা

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১ আগষ্ট ঃ বাজাৰ বানপীড়িত অঞ্চলৰ শিক্ষার্থীসকলক সহায় কৰিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এক গুৰুত্বপূৰ্ণ ঘোষণা কৰিছে। শিৱসাগৰ, চৰাইদেউ, গোলাঘাট আৰু যোৰহাট জিলাৰ বানপীড়িত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ইউনিফৰ্ম ক্ৰয় কৰিবলৈ মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ পৰা মুঠ ৭, ৬২, ৫৪, ০০০ টকা (৭.৬২ কোটি) ❑ ৬ পৃষ্ঠাত

বানাক্ৰান্ত চাৰি জিলাৰ মহিলালৈ দুগুণ ধন

বানপীড়িত অসমত অৰুণোদয় ৩.০ৰ শুভাৰম্ভ মুখ্যমন্ত্ৰীৰ

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১ আগষ্ট ঃ ৰাজ্যৰ বান-বিধ্বংসিকাৰ মাজতে অসমবাসীৰ বাবে সুখৰ কঢ়িয়াই আনিলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। শনিবাৰে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ দামোদৰদেৱ প্ৰেক্ষাগৃহত এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰি অৰুণোদয় ৩.০ আঁচনিৰ শুভাৰম্ভণি কৰে। এই অনুষ্ঠানত উপস্থিত হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অৰুণোদয় আঁচনি এতিয়া কেৱল এখন জনকল্যাণমূলক ❑ ৬ পৃষ্ঠাত

ই২০ ইন্ধন নীতি বিৰোধী প্ৰতিবাদকাৰীক গৃহবন্দী কৰাৰ অভিযোগ

কোনো লিখিত নিৰ্দেশ অবিহনে মোক আৰদ্ধ ৰখা হৈছে; তেহচিন পুনাৰালাৰ অভিযোগ

নেশ্যনেল ডেস্ক, অসম বার্তা, ১ আগষ্ট ঃ কেন্দ্ৰীয় চৰকাৰৰ ই২০ (E20) পেট্ৰল প্ৰকল্প, অৰ্থাৎ ২০ শতাংশ ইথানল মিশ্ৰিত ইন্ধন নীতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ ওলোৱা বিশিষ্ট সমাজকৰ্মী তথা ৰাজনৈতিক বিশ্লেষক তেহচিন পুনাৰালাক দিল্লী আৰক্ষীয়ে বেআইনীভাবে গৃহবন্দী কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। এই ঘটনাই ৰাজনৈতিক আৰু সামাজিক মহলত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। সামাজিক ❑ ৬ পৃষ্ঠাত

বানাক্ৰান্ত অঞ্চলৰ বাবে বিশাল চিকিৎসা শিবিৰৰ প্ৰস্তুতি স্বাস্থ্য বিভাগৰ

নগাঁও চিকিৎসা মহাবিদ্যালয় পৰিদৰ্শন স্বাস্থ্যমন্ত্ৰী অশোক সিংহলৰ

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ১ আগষ্ট ঃ ৰাজ্যৰ উজনি অসমৰ বানাক্ৰান্ত অঞ্চলবাসীৰ স্বাস্থ্যসেবা নিশ্চিত কৰিবলৈ স্বাস্থ্য বিভাগে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত বানপীড়িত এলেকাসমূহত বিশাল চিকিৎসা শিবিৰ আয়োজনৰ বাবে প্ৰস্তুতি চলাইছে স্বাস্থ্য বিভাগে। এই শিবিৰসমূহত বিনামূলীয়া চিকিৎসা ❑ ৬ পৃষ্ঠাত

মৰিগাঁও আৰক্ষীৰ জালত ১২টা ছাইবাৰ অপৰাধী গ্ৰেপ্তাৰ

বহু আপত্তিজনক সামগ্ৰী জব্দ; বিধানসভাত বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰৰ প্ৰশ্নৰ পাছতেই সক্ৰিয় আৰক্ষী

অসম বার্তা, ভুৱাগাঁও/মৈৰাবাৰী, ১ আগষ্ট ঃ শুক্ৰবাৰে নিশা মৰিগাঁও জিলাৰ লাহৰীঘাট, মৈৰাবাৰী আৰু ভুৱাগাঁও থানা এলেকাত অভিযান চলাই মৰিগাঁও আৰক্ষীয়ে ১২ টাকৈ চাইবাৰ অপৰাধী গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। জিলাখনৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক কংকন কুমাৰ নাথ আৰু লাহৰীঘাট সম - জিলাৰ আৰক্ষী অধীক্ষকৰ নেতৃত্বত, ভুৱাগাঁও, মিকিৰভেটা, লাহৰীঘাট আৰু মৈৰাবাৰী

থানা আৰক্ষীৰ সহযোগত নিশাটো চলিছিল এই অভিযান। চাবিওখন থানা এলেকাৰ বিভিন্ন স্থানৰ পৰা গ্ৰেপ্তাৰ ❑ ৬ পৃষ্ঠাত

অসম প্ৰিমিয়াৰ লীগৰ উদ্বোধনী মেচত চৰাইদেউ ছানৰাইজার্ছৰ জয়

ৰবপেটা ৰেডছৰ ১৫৬ বানৰ লক্ষ্য ৪ উইকেটত অতিক্ৰম

বানপীড়িতৰ প্ৰতি শ্ৰদ্ধা জনাই বাতিল উদ্বোধনী সাংস্কৃতিক অনুষ্ঠান

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১ আগষ্ট ঃ অসমৰ ক্ৰিকেট ইতিহাসত এক নতুন অধ্যায় সংযোজিত হ'ল। শনিবাৰে পৰা আৰম্ভ হৈছে প্ৰথমবাৰৰ বাবে আয়োজিত অসম প্ৰিমিয়াৰ লীগ (Assam Premier League – APL)। গুৱাহাটীৰ ACA ক্ৰিকেট ❑ ৬ পৃষ্ঠাত

ৰাহুল গান্ধীসহ তিনিগৰাকী সাংসদৰ বিৰুদ্ধে সনাতন ধৰ্ম আৰু ভগৱান ৰামক অপমানৰ অভিযোগ

জগতগুৰু বালকদাসৰ এজাহাৰ দাখিল ঃ সংসদৰ প্ৰতিবাদৰ সময়ত অপমানসূচক আচৰণৰ দাবী

নেশ্যনেল ডেস্ক, অসম বার্তা, ১ আগষ্ট ঃ লোকসভাৰ বিৰোধী দলপতি তথা কংগ্ৰেস নেতা ৰাহুল গান্ধী, সাংসদ পাপু ❑ ৬ পৃষ্ঠাত

এছিয়াৰ প্ৰাচীনতম ফুটবল প্ৰতিযোগিতা 'ডুৰাণ্ড কাপ'ৰ গুৱাহাটীত আৰম্ভণি

নৰ্থইষ্ট ইউনাইটেড আৰু বড়োলেণ্ডৰ মাজত প্ৰথম মেচ

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১ আগষ্ট ঃ এছিয়াৰ আটাইতকৈ পুৰণি ফুটবল প্ৰতিযোগিতা ইণ্ডিয়ান অয়ল ডুৰাণ্ড কাপৰ ১৩৫তম সংস্কৰণৰ আনুষ্ঠানিক শুভাৰম্ভ হ'ল গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত। আকাশত হেলিকপ্টাৰৰ ফ্লাইপাষ্ট, কন্দেট ফ্ৰী-ফলৰ ৰোমাঞ্চকৰ দৃশ্য আৰু ষ্টেডিয়ামজুৰি হাজাৰ হাজাৰ ফুটবলপ্ৰেমীৰ উচ্ছাসেৰে পৰিপূৰ্ণ এক পৰিবেশত এই ডাঙৰ ক্ৰীড়া উৎসৱৰ শুভ সূচনা হয়। ভাৰতীয় সেনা আৰু অসম চৰকাৰৰ যৌথ উদ্যোগত অনুষ্ঠিত এই উদ্বোধনী সমাৰোহত অসমৰ ক্ৰীড়া আৰু যুব কল্যাণ মন্ত্ৰী বিশ্বজিত দৈমাৰী, মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, ইণ্ডিয়ান আয়ল কৰ্পোৰেশনৰ আধ্যক্ষ অৰবিন্দৰ সিং সাহনীকে ধৰি বহু সামৰিক আৰু অসামৰিক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। তেওঁলোকৰ উপস্থিতিয়ে ক্ৰীড়া আৰু ৰাষ্ট্ৰীয় একতাৰ বাবে এই প্ৰতিযোগিতাখনৰ গুৰুত্ব পুনৰুদ্ধাৰ কৰে। সমাবেহত অসমৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য আৰু ভাৰতীয় সেনাৰ গৌৰৱময় পৰম্পৰাৰ এক অনন্য সংমিশ্ৰণ দেখা যায়। অনুষ্ঠানটো হ'ট এয়াৰ বেলুন, এৰোমডেলিং, হেলিকপ্টাৰ ❑ ৬ পৃষ্ঠাত

বঙ্গতীর্থ কলা কেন্দ্রৰ ১৫ দিনীয়া শঙ্কৰী সঙ্গীত গ্রীষ্মকালীন কর্মশালাৰ সফল সামৰণি

খোলৰ বোল আৰু সুৰ-ছন্দৰ নান্দনিকতাৰে উজ্জীৱিত সত্ৰীয়া নৃত্যৰ গ্রীষ্মকালীন কর্মশালা

অসম বার্তা, দেওমৰনৈ, ১ আগষ্ট ঃ অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু দৰং জিলা প্ৰশাসনৰ সহযোগত বঙ্গতীর্থ কলা কেন্দ্ৰই ৪৯ নং বিধানসভা সমষ্টিৰ অন্তৰ্গত ঐতিহ্যিক বৈনাৰা সত্ৰত ১৪ জুলাই’ৰ পৰা ২৮ জুলাই’, ২০২৬লৈ ১৫ দিনীয়া “সত্ৰীয়া নৃত্য আৰু খোল বাদ্য” বিষয়ক গ্রীষ্মকালীন কর্মশালা সফলতাৰে অনুষ্ঠিত হয়। বঙ্গতীর্থ কলা কেন্দ্ৰৰ ব্যৱস্থাপনাত আয়োজিত এই কর্মশালাত ছিপাঝাৰ সমষ্টিৰ বিভিন্ন প্ৰান্তৰ মুঠ ১১০ গৰাকী প্ৰশিক্ষার্থীয়ে অংশগ্ৰহণ কৰে। কর্মশালাৰ উদ্বোধনী অনুষ্ঠানত ছিপাঝাৰ সাংস্কৃতিক কেন্দ্ৰৰ সাংস্কৃতিক উন্নয়ন বিষয়া মনিষা মহন্ত উপস্থিত থাকি প্ৰশিক্ষার্থীসকলক শুভেচ্ছা জনোৱাৰ লগতে অসমৰ শাস্ত্ৰীয় সংস্কৃতিৰ সংৰক্ষণ আৰু প্ৰসাৰৰ ক্ষেত্ৰত এনে কর্মশালাৰ গুৰুত্ব ওপৰত আলোক পাত কৰে। কর্মশালাৰ মাজভাগত, তেওঁলোকৰ তত্ত্বাৱধানত প্ৰশিক্ষার্থীসকলে সত্ৰীয়া নৃত্য আৰু খোল বাদ্যৰ তাত্ত্বিক আৰু ব্যৱহাৰিক জ্ঞান লাভ কৰে। সামৰণি অনুষ্ঠানত ঐতিহ্যিক খটৰা সত্ৰ পৰিচালনা সমিতিৰ সম্পাদক গংগা বৈশ্য, বিশিষ্ট সাংস্কৃতিক কৰ্মী গোপাল ডেকা, সমাজকৰ্মী প্ৰদীপ বাজবংশী, সত্য বৈশ্য, ভাৰতীয় জনতা পাৰ্টী দেওমৰনৈ মণ্ডলৰ সভাপতি ভাস্কৰ দিৱাকৰ কলিতা, বুঢ়ীনগৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী পম্পী ডেকাকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। লগতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্গীত বিদ্যালয় আৰু অনুভূতি সাংস্কৃতিক একাডেমীৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৱিকা আৰু অসংখ্য সাংস্কৃতিক অনুৰাগীৰ উপস্থিতিয়ে অনুষ্ঠানটোক সাফল্যমণ্ডিত কৰি তোলে।

বক্তাসকলে মত প্ৰকাশ কৰে যে, এনে গ্রীষ্মকালীন কর্মশালাই নব-প্ৰজন্মক অসমৰ শঙ্কৰী সাংস্কৃতিক ঐতিহ্যৰ সৈতে গভীৰভাৱে পৰিচিত কৰাৰ লগতে সত্ৰীয়া নৃত্য আৰু খোল বাদ্যৰ দৰে ঐতিহ্যমণ্ডিত শিল্পধাৰাৰ সংৰক্ষণ, প্ৰসাৰ আৰু উত্তৰাধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ২৩ জুলাইত বঙ্গতীর্থ কলা কেন্দ্ৰৰ সভাপতি মৃত্যুঞ্জয় ডেকাই পৰিদৰ্শন কৰি প্ৰশিক্ষার্থীসকলৰ সৈতে মত-বিনিময় কৰাৰ লগতে তেওঁলোকক অধিক আগ্ৰহেৰে সাংস্কৃতিক সাধনাত আত্মনিয়োগ কৰিবলৈ উৎসাহিত কৰে। ২৮ জুলাইত ঐতিহ্যিক খটা সত্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা সামৰণি অনুষ্ঠানত বঙ্গতীর্থ কলা কেন্দ্ৰৰ সভাপতি মৃত্যুঞ্জয় ডেকাই অনুষ্ঠানটি সংঞ্চালনা কৰে। প্ৰশিক্ষার্থী সকলৰ বৰগীত পৰিবেশনেৰে আৰম্ভ হোৱা সভাত প্ৰশিক্ষার্থী সকলে গাণিকা, ঽনং চালি নাচ, ঝুমুৰা, ভটিমা আধাৰত নৃত্য সংবেদনা আৰু নৃত্য আদি মনোমোহা অনুষ্ঠান পৰিবেশন কৰি উপস্থিত দৰ্শকক মুগ্ধ কৰে। কর্মশালাত প্ৰশিক্ষক হিচাপে দুবৰ্দশন কেন্দ্ৰ গুৱাহাটীৰ গ্ৰেড প্ৰাপ্ত শিল্পী, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ পৰিবেশী কলা (সত্ৰীয়া নৃত্য)ত স্নাতকোত্তৰ ডিগ্ৰীধাৰী ছাত্ৰী শ্ৰীজীমণি ডেকা, নৰ্তন আৰু বায়ন বিশাৰদ প্ৰাপ্ত শ্ৰীঅভিজিৎ বাজবংশী আৰু নৰনীতা কৰাৰ লগতে তেওঁলোকৰ

পুৰণিগুদাম বনকঁঠালগাঁৰত খোলবাদন কৰ্মশালাৰ সফল সামৰণি

অসম বার্তা, পুৰণিগুদাম, ১ আগষ্ট ঃ নগাঁও জিলাৰ পুৰণিগুদাম বনকঁঠালগাঁৱৰ অঙ্কণজ্যোতি পুথিভঁৰাল যুব সংঘৰ উদ্যোগত আৰু সব্যসাচী কলাকেন্দ্ৰৰ সহযোগত যোৱা ২৪ জুলাই৷ ৰবা সাতদিনীয়া কাৰ্যক্ৰমখিকাৰে বনকঁঠালগাঁৱৰ নামঘৰ প্ৰাঙ্গণত গাঙীৰ্যপূৰ্ণ পৰিবেশত অনুষ্ঠিত হোৱা "খোলবাদন কৰ্মশালা"খনি ৩১ জুলাইতে সফল সামৰণি পৰে। ৪৩ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাখনত শিবসাগৰৰ শ্ৰীশ্ৰী খাটপাৰ সত্ৰৰ নিবাসী, ভাৱত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ স্বীকৃতিপ্ৰাপ্ত সত্ৰীয়া সংগীত শিল্পী তথা আকাশবাণীৰ গ্ৰেড শিল্পী, জ্যোতিষ্মান মহন্ত মুখ্য প্ৰশিক্ষকৰূপে উপস্থিত থাকি প্ৰশিক্ষাৰ্থীসকলক তাকিদ আৰু ব্যৱহাৰিক দিশৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰে। যোৱা কালি কৰ্মশালাৰ সফল সামৰণি উপলক্ষে আয়োজিত অনুষ্ঠানত অঙ্কণজ্যোতি পুথিভঁৰাল যুব সংঘৰ সভাপতি বাবুলাল বৰাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে গ্ৰন্থাগাৰিক প্ৰণৱ জ্যোতি বৰাই অনুষ্ঠানৰ আঁত ধৰে। উক্ত অনুষ্ঠানত চলচিৰ হালোৱাগাঁও গাঁও পঞ্চায়তৰ সভাপতি প্ৰশান্ত বৰা, উপ-সভাপতি অঞ্জলি বৰুৱা বৰা, ১০ নং বাৰ্ডৰ সদস্য

দীপাংকৰ ভৰদ্বাজ, আঞ্চলিক পঞ্চায়তৰ সদস্য ৰাজু শইকীয়া বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অতিথিসকলে অসমৰ বৈষ্ণৱ সাংস্কৃতিক ঐতিহ্য, সত্ৰীয়া সংগীত আৰু খোলবাদনৰ দৰে পৰম্পৰাগত কলা-সংস্কৃতি সংৰক্ষণ আৰু প্ৰসাৰৰ ক্ষেত্ৰত এনে কৰ্মশালাৰ গুৰুত্ব ওপৰত বিশেষভাৱে আলোকপাত কৰে। অঙ্কণজ্যোতি পুথিভঁৰাল যুব সংঘৰ সম্পাদক মাধৱ বৰাই নিজৰ ভাষণ প্ৰসঙ্গত কয়, সব্যসাচী কলাকেন্দ্ৰৰ সহযোগত আয়োজিত কৰ্মশালাৰ সফলতাই প্ৰশিক্ষাৰ্থীসকলৰ লগতে উদ্যোক্তাসকলকো উৎসাহিত কৰিছে। ভবিষ্যতেও আগ্ৰহী প্ৰশিক্ষাৰ্থীক অনুপ্ৰাণিত কৰিবলৈ এনে সাংস্কৃতিক আৰু প্ৰশিক্ষণমূলক কাৰ্যসূচী নিয়মীয়াকৈ আয়োজন কৰাৰ কথা ব্যক্ত কৰে। আনহাতে, অঙ্কণজ্যোতি পুথিভঁৰাল যুব সংঘৰ সভাপতি বাবুলাল বৰাই কয় যে, সংঘই কেৱল পুথিভঁৰালৰ কাৰ্যকলাপতেই সীমাবদ্ধ নাথাকি সমাজত সাংস্কৃতিক, শৈক্ষিক আৰু নৈতিক মূল্যবোধ গঢ়ি তোলাৰ লক্ষ্যৰে বিভিন্ন গঠনমূলক কাৰ্যসূচী গ্ৰহণ কৰাৰ কথা ব্যক্ত কৰে। সামৰণি অনুষ্ঠানত কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলে সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰাৰ লগতে অতিথি, মুখ্য প্ৰশিক্ষক সম্বৰ্ধনা জ্ঞাপন আৰু প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। কৰ্মশালাখন সাফল্যমণ্ডিত কৰিবলৈ সহায়-সহযোগিতা আগবঢ়োৱা সকলোকে উদ্যোক্তাসকলে কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখ্য যে, কৰ্মশালাখন চলি থকা সময়ছোৱাত উজনি অসমত প্ৰবলবানপানী সৃষ্টি হৈছিল। এনে প্ৰতিকূল পৰিস্থিতিৰ মাজতো মুখ্য প্ৰশিক্ষক জ্যোতিষ্মান মহন্তই অন্যমা মনোবল আৰু কৰ্তব্যনিষ্ঠাৰে প্ৰতিদিনে কৰ্মশালাত উপস্থিত থাকি নিষ্ঠাৰে প্ৰশিক্ষণ প্ৰদান কৰাত সকলোৱে প্ৰশংসা কৰা পৰিলক্ষিত হয়।

বিজনীৰ চাতিয়ানগুৰীত ইউপিপিএল নেতাক নৃশংস হত্যাকাণ্ড

হত্যাকাৰীক ফাঁচী দিয়াৰ দাবীৰে দুঘণ্টীয়া অৱস্থান ধৰ্মঘট

অসমবার্তা, বিজনী, ১ আগষ্ট ঃ বিজনী জিলা ইউপিপিএল দলৰ উপ সভাপতি জীবানন্দ বসুমতাৰী ওৰফে ৰাজু বসুমতাৰীক দুৰ্বৃত্তই হত্যা কৰাৰ সন্দেহ। জানিব পৰা মতে বুধবাৰে ৰাতি বিজনী চৰইস্থিত চিফুং হোটেলত দুজন যুবকৰ সৈতে কাজিয়াত লিপ্ত হৈছিল জীবানন্দ বসুমতাৰীৱে।তাৰ পিছত নিশাগ পৰাই নিৰুদ্দেশ হৈ আছিল ইউপিপিএলৰ নেতাজন। পৰবৰ্তী বৃহস্পতিবাৰে পুৱাৰ ভাগত চাতিয়ানগুৰীত মৃত অৱস্থাত উদ্ধাৰ কৰা হয়।প্ৰথমতে পৰিয়ালৰ লোকে দুৰ্ঘটনাত পতিত হোৱা বুলি খৱৰ পাইছিল পৰিয়ালৰ লোকে। ঘটনাস্থলীত বিজনীৰ আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। ইয়াৰ পৰবৰ্তী চিবাং জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক মোহনলাল মীনা, অতিৰিক্ত আৰক্ষী অধীক্ষক(ক্ৰাইম) অমিত কুমাৰ মাহাতো উপস্থিত হোৱাৰ লগতে ফৰেন্সিকৰ দল আহি উপস্থিত হৈছে। পিছত মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। এই ঘটনাক লৈ চিবাং জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক মোহন লাল মীনায় শুকুৱাবাৰে আবেলি এখন সংবাদমেলত আয়োজন কৰে। বিজনী আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিয়ে বৃহস্পতিবাৰে নিশা হত্যাকাণ্ডত জড়িত তিনিজন গ্ৰেপ্তাৰ কৰে। হত্যাকাণ্ডত জড়িত মূল অভিযুক্ত অমৃত সৰকাৰ(২৪), সহযোগী আশিস মোদক(৩৪) আৰু সঞ্জয় সাহাক(২৮) গ্ৰেপ্তাৰ কৰি তদন্ত চলাই থকা বুলি মন্তব্য জ্যেষ্ঠ আৰক্ষী অধীক্ষক গৰাকীৰ। সংবাদমেলত জানিব দিয়া অনুসৰি ২৯ জুলাইৰ নিশা বিজনী চৰইস্থিত চিফুং হোটেলত অমৃত সৰকাৰৰ সৈতে জীবানন্দ বসুমতাৰীৰ এক সাধাৰণ কাজিয়াৰ সূত্ৰপাত হৈছিল। অভিযোগ অনুসৰি, তাৰ পিছত জীবানন্দ বসুমতাৰী ঘৰলৈ উভতি যোৱাৰ সময়ত মূল অভিযুক্ত অমৃত সৰকাৰে বিজনীৰ পথা পিছা কৰি ছাতিয়ানগুৰীত তেওঁক হত্যা কৰে আৰু ঘটনাটোক পথ দুৰ্ঘটনাৰ ৰূপ দিয়াৰ চেষ্টা কৰে। এই সংক্ৰান্তত হত্যাকাৰী তিনিজনৰ মোবাইল ফোন তিনিটা জব্দ কৰাত তেওঁলোকৰ কথোপকথনত হত্যা কৰাৰ কথা স্পষ্ট ওলাই পৰা বুলি জানিব দিয়ে। মূল হত্যাকাৰী অমৃত সৰকাৰে আশিস মোদকক ফোন কৰি নিশাই জনাই দিছিল জীবানন্দ বসুমতাৰী ওৱফে ৰাজুক হত্যা কৰাৰ কথা।আৰক্ষীয়ে হত্যাকাৰী তিনিজনক বিজনীৰ অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতলৈ প্ৰেৰণ কৰি আৰক্ষীৰ জিম্মাত বিচাৰি আবেদন কৰা বুলি জানিব দিয়ে জ্যেষ্ঠ আৰক্ষী অধীক্ষক গৰাকীয়ে। উল্লেখ্য ৩০ জুলাইৰ পুৱা জীবানন্দ বসুমতাৰীক পথ দুৰ্ঘটনাত মৃত্যু হোৱা বুলি চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। কিন্তু চিকিৎসালয়ত আৰক্ষী উপস্থিত হোৱাৰ পিছতে ঘটনাটোক লৈ সন্দেহৰ সৃষ্টি হয়। ইয়াৰ পিছত ঘটনাটোৰ তদন্ত কৰি এয়া হত্যাকাণ্ড বুলি নিশ্চিত হয় আৰক্ষী। হত্যাকাৰী তিনিজনৰ অমৃত সৰকাৰৰ ঘৰ বিজনীৰ পূৱ খামাৰপাৰাত, আশিস মোদকৰ ঘৰ বিজনীৰ ঘোষপাৰাত আৰু সঞ্জয় সাহাৰ ঘৰ বিজনীৰ কাবুলীবাগানত বুলি জানিব পৰা গৈছে। শবিয়তে বিজনী জিলা ক্ৰীড়া সম্থাৰ উদ্যোগত তথা বিজনীৰ বিভিন্ন দল-সংগঠনৰ সহযোগত শনিবাৰে বিজনী ছোৱালী হাইস্কুল খেলপথাৰত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়িত হয়। বিজনী জিলা ক্ৰীড়া সম্থাৰ যুটীয়া সম্পাদক, বিজনী জিলা ইপিপিএলৰ উপ-সভাপতি তথা প্ৰাক্তন এবছুকৰ্মী জীবানন্দ বসুমতাৰী ওৱফে ৰাজু বসুমতাৰীৰ হত্যাকাণ্ডৰ গোচৰ ফাষ্টট্ৰেক আদালতত উত্থাপন কৰা, হত্যাকাৰী ৩ জনক চাহিদ দিয়া, ৰাজু বসুমতাৰীৰ পৰিয়ালৰ ১ কোটি টকাক আৰ্থিক সাহায্য প্ৰদান কৰা আৰু শান্তি-সম্প্ততি বোজাই ৰখাৰ দাবীত পুৱা ১১ বজাৰ পৰা বিয়লি ১ বজালৈ ৰূপায়িত হয় এই প্ৰতিবাদী কাৰ্যসূচী। এই প্ৰতিবাদী কাৰ্যসূচীত বিজনী জিলা ক্ৰীড়া সম্থা, বিজনী জিলা ইউপিপিএল, আছু, এবছু, আমছু, সদৌ বিটিচি বাঙালী যুব -ছাত্ৰ ফেডাৰেচন, ৰনছু, নেমছু, সদৌ অসম বাঙালী যুব -ছাত্ৰ ফেডাৰেচন, আঞ্চলছুকে ধৰি বিভিন্ন দল -সংগঠনৰ প্ৰতিনিধি সকলে অংশগ্ৰহণ কৰে।প্ৰতিবাদী সকলে ৰাজু বসুমতাৰীৰ হত্যাকাৰী তিনিজনক ফাঁচী দিয়াৰ দাবী উত্থাপন কৰে। উল্লেখ্য যোৱা ২৯ জুলাইৰ নিশা ৰাজু বসুমতাৰীয়ে স্কুটীৰে হাঁহৰাৰ ঘৰলৈ গৈ থকা অৱস্থাত বিজনীৰ ১ নং ছাতিয়ানগুৰীত অমৃত সৰকাৰে তেখেতক নৃশংসভাৱে হত্যা কৰি পথ দুৰ্ঘটনাৰ ৰূপ দিবলৈ চেষ্টা কৰিছিল। পাছত অমৃত সৰকাৰৰ লগতে তেখেতৰ সহযোগী দুজন ক্ৰমে আশিস মণ্ডক আৰু সঞ্জয় সাহাক বিজনীৰ আৰক্ষীয়ে তাৎক্ষনিক ভাৱে গ্ৰেপ্তাৰ কৰে। ৰাজু বসুমতাৰীক হত্যাৰ বাবে বিজনী জিলা ক্ৰীড়া সম্থা তথা বিজনীৰ বিভিন্ন দল-সংগঠনৰ সহযোগত অহা মঙ্গলবাৰে পুৱা ৫ বজাৰ পৰা সন্ধিয়া ৫ বজালৈক ১২ ঘণ্টীয়া বিজনী বন্ধ ঘোষণা কৰে। আনফালে শনিবাৰে জীবানন্দ বসুমতাৰীৰ ঘৰত বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত শোক প্ৰকাশ কৰাৰ লগতে পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। বড়ো লেগুৱৰ স্বাভাৱিক অবস্থা লাহে বেয়া হৈ গৈ আছে বুলি সংবাদমাধ্যমত মন্তব্য কৰে প্ৰমোদ বড়োৱে। জীবানন্দ বসুমতাৰী ওৰফে ৰাজু বসুমতাৰীৰ হত্যাকাণ্ডত লগত জড়িত থকা সকলোক উচিত শাস্তি প্ৰদানৰ দাবী জনাই। শনিবাৰে আবেলি জীবানন্দ বসুমতাৰী হত্যাকাণ্ডৰ এবছুৰ কেন্দ্ৰীয় সভাপতি খৌবৌমদাও ঔবাৰীসহ এবছুৰ এটা সঁজাতি দলে উপস্থিত হৈ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে ওৰফে ৰাজু বসুমতাৰীৰ হত্যাকাণ্ডত লগত জড়িত থকা সকলোক উচিত শাস্তি প্ৰদানৰ দাবী জনাই। শনিবাৰে আবেলি জীবানন্দ বসুমতাৰী হত্যাকাণ্ডৰ এবছুৰ কেন্দ্ৰীয় সভাপতি খৌবৌমদাও ঔবাৰীসহ এবছুৰ এটা সঁজাতি দলে উপস্থিত হৈ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে ওৰফে ৰাজু বসুমতাৰীৰ হত্যাকাণ্ডত তিনিজনক হত্যাকাণ্ডৰ গোচৰ ফাষ্টট্ৰেক আদালতত উত্থাপনৰ কথা, হত্যাকাণ্ডৰ ৩ জনক ফাঁচী দিয়াৰ উপৰি অসম চৰকাৰ আৰু বিটিচি চৰকাৰক জীবানন্দ বসুমতাৰীৰ পৰিয়াললৈ আৰ্থিক আৰ্থিক সাহায্য প্ৰদান কৰা নাইবা সংস্থাপন ব্যৱস্থাৰ কৰাৰ দাবী জনায়।

২৫ জনীয়া যুৱ বৈষ্ণৱৰ দলে চলাব শ্ৰমদান; সহযোগিতাৰ আহ্বান সত্ৰাধিকাৰৰ

উজনি অসমৰ বানাক্ৰান্ত নামঘৰ পুনৰ গঢ়াৰ উদ্যোগ আউনীআটী সত্ৰৰ

অসম বার্তা, উজনী মাজুলী, ১ আগষ্ট ঃ উজনি অসমৰ বানাক্ৰান্ত অঞ্চলসমূহৰ ক্ষতিগ্ৰস্ত নামঘৰ, উপাসনা স্থলী আৰু সামাজিক অনুষ্ঠানসমূহ পুনৰ সক্ৰিয় কৰি তোলাৰ লক্ষ্যৰে আউনীআটী সত্ৰ আৰু মাজুলী সমন্বয় মঞ্চই এক বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে। এই উদ্দেশ্যে আজি আউনীআটী সত্ৰৰ ৰংগমঞ্চত অনুষ্ঠিত এখন সভাত বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰা হয়। মাজুলী সমন্বয় মঞ্চৰ সম্পাদক ভাস্কৰ জ্যোতি বৰাই সভাত কাৰ্যসূচী ব্যাখ্যা কৰা সভাত সভাপতিত্ব কৰি আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড' পীতাম্বৰ দেৱ গোস্বামীয়ে কয় যে, বানপীড়িত অঞ্চলসমূহত এতিয়া কেবল খাদ্যসামগ্ৰী বিতৰণেই যথেষ্ট নহয়; ক্ষতিগ্ৰস্ত নামঘৰ, উপাসনা স্থলী, শিক্ষানুষ্ঠান আৰু ঘৰ-দুৱাৰ পুনৰ ব্যবহাৰৰ উপযোগী কৰি তোলাটো অধিক জৰুৰী। তেওঁ কয়, "মানুহৰ দুখ লাঘৱত শ্ৰমদানেই আমাৰ শ্ৰেষ্ঠ সেৱা।" সভাত আউনীআটী সত্ৰৰ ২৫ গৰাকী যুৱ বৈষ্ণৱে স্বেচ্ছাসেৱক হিচাপে বানাক্ৰান্ত অঞ্চললৈ গৈ নামঘৰসমূহ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু মেৰামতিৰ কামত অংশগ্ৰহণ কৰাৰ আগ্ৰহ প্ৰকাশ কৰে। আগ্ৰাহ্ত এসপ্তাহৰ ভিতৰতে অতি ক্ষতিগ্ৰস্ত অঞ্চলত এই শ্ৰমদান কাৰ্যসূচী আৰম্ভ কৰাৰ কথা ঘোষণা কৰা হয়। সভাত উপস্থিত বক্তাসকলে এই পদক্ষেপক সময়োপযোগী বুলি অভিহিত কৰি সমাজৰ সকলো স্তৰৰ লোকক আৰ্থিক আৰু কায়িক সহযোগিতাৰে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। লগতে ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু শুভাকাংক্ষীসকলক এই মানৱীয় অভিযানত অংশগ্ৰহণ কৰিবলৈও অনুৰোধ জনোৱা হয়। এই কাৰ্যসূচীত সহযোগিতা আগবঢ়াব বিচৰা ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠানবা শুভাকাংক্ষীসকলে ৯১০১১৩২৯১১ অথবা ৮৮২২৫৯৮৮৪৫ নম্বৰত যোগাযোগ কৰিব পাৰিব। সভাত ডেকাধিকাৰ দেৱানন্দ দেৱ গোস্বামী, মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড' আনন্দ হাজৰিকা, অসমপ্ৰাপ্ত কৃষি বিষয়া অঞ্চল পাঁচক, মাজুলী মহাবিদ্যালয়ৰ অধ্যাপক তুলসী বাজৱাৰা, বিশিষ্ট সত্ৰীয়া শিল্পী কঞ্চলা বৰা, দৰী বৰুৱা আদি উপস্থিত থাকি বক্তব্য ৰাখে। সভাত বহুকেই গৰাকী বিশিষ্ট ব্যক্তি, সমাজকৰ্মী, শিক্ষাবিদ আৰু আউনীআটী সত্ৰৰ বৈষ্ণৱসকল উপস্থিত থাকে। সভাৰ অন্তত এই কাৰ্যসূচীৰ বাবে কেইবাজনো ব্যক্তিয়ে আৰ্থিক বৰঙনিও আগবঢ়ায়।

গোলাঘাট জিলাত বিশ্ব স্তনপান সপ্তাহ আৰম্ভ

শালমাৰা চাহ বাগিচাত আনুষ্ঠানিক শুভাৰম্ভণি

১-৭ আগষ্টলৈ চলিব সজাগতা কার্যসূচী

অসম বার্তা, ষ্টাফ বিপৰ্টাৰ, গোলাঘাট, ১ আগষ্ট ঃ গোলাঘাটৰ জিলা স্বাস্থ্য সমিতিৰ অধীনত থকা পাঁচটা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (বি পি এইচ চি)ৰ অন্তৰ্গত সকলো স্বাস্থ্য কেন্দ্ৰত সজাগতামূলক কাৰ্যসূচীৰে আজি ২০২৬ চনৰ বিশ্ব স্তনপান সপ্তাহ আৰম্ভ হয়। উদ্বোধনী কাৰ্যসূচীৰ অংশ হিচাপে শালমাৰা চাহ বাগিচাত চাবিষ্ট্রীয়া স্বাস্থ্য খণ্ডৰ উদ্যোগত এক সজাগতা অনুষ্ঠান আয়োজন কৰা হয়। চাহ বাগিচা অঞ্চলত স্তনপান কৰাই থকা মাতৃ আৰু গৰ্ভৱতী মহিলাসকলক স্তনপানৰ গুৰুত্ব বিষয়ে সজাগ আৰু সচেতন কৰাব প্ৰচেষ্টাৰে এই কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। ইয়াৰ লগতে শিশুসকলৰ উচিত বিকাশৰ ক্ষেত্ৰত মাতৃদুগ্ধৰ বৈজ্ঞানিক উপস্থিত থাকে। এই অনুষ্ঠানত জিলা আঁচনি প্ৰণয়ন কৰা হয়। উল্লেখ্য ৩০ জুলাইৰ পুৱা জীবানন্দ বসুমতাৰীক পথ দুৰ্ঘটনাত মৃত্যু হোৱা বুলি চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। কিন্তু চিকিৎসালয়ত আৰক্ষী উপস্থিত হোৱাৰ পিছতে ঘটনাটোক লৈ সন্দেহৰ সৃষ্টি হয়। ইয়াৰ পিছত ঘটনাটোৰ তদন্ত কৰি এয়া হত্যাকাণ্ড বুলি নিশ্চিত হয় আৰক্ষী। হত্যাকাৰী তিনিজনৰ অমৃত সৰকাৰৰ ঘৰ বিজনীৰ পূৱ খামাৰপাৰাত, আশিস মোদকৰ ঘৰ বিজনীৰ ঘোষপাৰাত আৰু সঞ্জয় সাহাৰ ঘৰ বিজনীৰ কাবুলীবাগানত বুলি জানিব পৰা গৈছে। শবিয়তে বিজনী জিলা ক্ৰীড়া সম্থাৰ উদ্যোগত তথা বিজনীৰ বিভিন্ন দল-সংগঠনৰ সহযোগত শনিবাৰে বিজনী ছোৱালী হাইস্কুল খেলপথাৰত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়িত হয়। বিজনী জিলা ক্ৰীড়া সম্থাৰ যুটীয়া সম্পাদক, বিজনী জিলা ইপিপিএলৰ উপ-সভাপতি তথা প্ৰাক্তন এবছুকৰ্মী জীবানন্দ বসুমতাৰী ওৰফে ৰাজু বসুমতাৰীৰ হত্যাকাণ্ডৰ গোচৰ ফাষ্টট্ৰেক আদালতত উত্থাপনৰ কথা, হত্যাকাণ্ডৰ ৩ জনক ফাঁচী দিয়াৰ উপৰি অসম চৰকাৰ আৰু বিটিচি চৰকাৰক জীবানন্দ বসুমতাৰীৰ পৰিয়াললৈ আৰ্থিক আৰ্থিক সাহায্য প্ৰদান কৰা নাইবা সংস্থাপন ব্যৱস্থাৰ কৰাৰ দাবী জনায়।

অসম বার্তা, ষ্টাফ বিপৰ্টাৰ, মৰিগাঁও, ১ আগষ্ট ঃ মাননীয় ৰাজ্যপালৰ বিবেচনাধীন পুঁজিৰ অধীনত নিৰ্মিত ছাত্ৰী শৌচাগাৰ আজি মৰিগাঁও জিলাৰ জিলা আয়ুক্ত তনামিকা তেবাৰী, ACS-এ কুমৈ আঞ্চলিক মাধ্যমিক বিদ্যালয়ত আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। অনুষ্ঠান অতিৰিক্ত জিলা আয়ুক্ত অনসূয়া শৰ্মা, ACS, মৰিগাঁও জিলা বিদ্যালয় পৰিদৰ্শক, বিদ্যালয় শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় গণমান্য ব্যক্তিসকল উপস্থিত থাকে। এই উপলক্ষে মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু মৰিগাঁও হস্তশিল্প আৰু বস্ত্ৰ বিভাগৰ সহযোগত, মৰিগাঁৰৰ

উদ্যোগী মেঘালী দাসে বিদ্যালয়খনলৈ এখন তাঁতৰ শাল দান কৰে। এই পদক্ষেপৰ মূল উদ্দেশ্য হৈছে ছাত্ৰীসকলৰ মাজত হস্ততাঁত দক্ষতা বিকাশ, আত্মনিৰ্ভৰশীলতাৰ মানসিকতা গঢ়ি তোলা আৰু জীৱিকামুখী প্ৰশিক্ষণৰ সুযোগ সৃষ্টি কৰা। এই পদক্ষেপে বিদ্যালয়খনত ছাত্ৰীসকলৰ বাবে উন্নত অনাময় ব্যৱস্থা নিশ্চিত কৰাৰ লগতে দক্ষতা বিকাশ আৰু আত্মনিৰ্ভৰশীলতাক অধিক উৎসাহিত কৰিব বুলি আশা প্ৰকাশ কৰা হয়।

কুমৈ আঞ্চলিক মাধ্যমিক বিদ্যালয়ত ছাত্ৰী শৌচাগাৰ আৰু তাঁতশাল উদ্যোগৰ শুভ উদ্বোধন

ৰৰপেটাৰ ছেইণ্ট টেৰেছা'চ ইংলিছ মিডিয়াম স্কুলত পথ সুৰক্ষাৰ ওপৰত সজাগতা সভা

অসম বার্তা, ৰৰপেটাসদৰ, ১ আগষ্ট ঃ ৰাজ্যত দৈনিক সংঘটিত হোৱা পথ দুৰ্ঘটনাক লৈ শংকিত হৈছে জনসাধাৰণ, চৰকাৰ। দুৰ্ঘটনাত দৈনিক মৃত্যু হৈছে বহু লোক, আঘাতপ্ৰাপ্ত হৈছে বহু লোক। পথ দুৰ্ঘটনা প্ৰতিৰোধ কৰাৰ বাবে সময়ে সময়ে পৰিবহণ বিভাগে পদক্ষেপ লৈ আহিছে। পৰৰপেটাত৷ জিলা পৰিবহণ বিভাগৰ নেতৃত্ব বিভিন্ন খৰংৰ সজাগতামূলক সভা অনুষ্ঠিত কৰি আহিছে। আজিও ৰৰপেটাৰ ব্যক্তিগত খণ্ডৰ আগশাৰীৰ বিদ্যালয় ছেইণ্ট টেৰেছা'চ ইংলিছ মিডিয়াম স্কুলত অনুষ্ঠিত হয় পথ সুৰক্ষামূলক সজাগতা সভা। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকলক সজাগ কৰাৰ উদ্দেশ্যে অনুষ্ঠিত হয় সজাগতা সভাখন। ছাত্ৰ-ছাত্ৰীসকলে পথ অতিক্ৰম হওঁতে হ'বলগীয়া সাবধানতা, বাইক চলাওঁতে হেলমেট পৰিধান কৰা, চাৰিচকীয়া বাহন চলাওঁতে চিটবেল্ট পৰিধান কৰাৰ লগতে তীব্ৰগতিত বাহন নচলাবলৈ সজাগতা সভাখনত আহ্বান জনোৱা হয়। সজাগতা সভাখনত জিলা পৰিবহণ বিষয়া বাপন কলিতাই পথ দুৰ্ঘটনাৰ কাৰক আৰু ইয়াৰ প্ৰতিৰোধৰ বাবে ল'বলগীয়া পদক্ষেপ সম্পৰ্কত উপস্থিত ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকলক সজাগ কৰিবলৈ বহু পৰামৰ্শ দিয়ে। ছেইণ্ট টেৰেছা'চ ইংলিছ মিডিয়াম স্কুলৰ চিয়াৰমেন তথা সমাজকৰ্মী ডেইৰুক কুমাৰ শৰ্মাই তত্ত্বাবধানত অনুষ্ঠিত সজাগতা সভাখনত উপস্থিত ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকলে উপকৃত হয় বুলি মতপোষণ কৰে। ইয়াৰ পূৰ্বেও ৰৰপেটাৰ শৈক্ষিক ক্ষেত্ৰত বিপ্লৱ আনিবলৈ সক্ষম হোৱা সমাজকৰ্মী, শিক্ষাবিদ ডেইৰুক কুমাৰ শৰ্মাই বিভিন্ন সামাজিক কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। সভাখনত জিলা পৰিবহণ বিভাগৰ এনফৰ্চমেণ্ট ইন্সপেক্টৰ বিশ্বেশ্বৰ বয়, অধ্যক্ষ বিপিন পি এছৱ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

শিৰসাগৰ দিখৌমুখৰ বানাক্ৰান্তলৈ নগাঁৰৰ মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘৰ সঁহাৰি

অসম বার্তা, ৰেবেজীয়া, ১ আগষ্ট ঃ নগাঁৰৰ সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘই উজনি অসমৰ শিৰসাগৰ জিলাৰ দিখৌমুখৰ বানাক্ৰান্তলৈ দ্বিতীয় বাৰৰ বাবে সহাৰী আগবঢ়ায়। প্ৰলয়কাৰী বানত সৰ্বশ্বান্ত হোৱা বানাক্ৰান্ত বাইজনৈ শ্ৰোতা সংঘৰ তৎফৰ পৰা আগবঢ়োৱা হয় মুঠ ১০ হেজাৰ টকাৰ ফেনাইল বটল। ডিজিটেল মাধ্যম যোগে মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘৰ মুখ্য সঞ্চালক কিৰণ চন্দ্ৰ নাথে সঞ্চালক ৰাজল দেৱ ৰবদৰে, সমুদায় ধন শিৰসাগৰৰ এখন বিপনীলৈ প্ৰেৰণ কৰে আৰু সেই ধনৰে ফেনাইল বটলসমূহ দিখৌমুখৰ বানাক্ৰান্তক বিলাই দিয়ে আৰু শ্ৰোতা সংঘক সহযোগ কৰে দিখৌমুখৰ অধ্যক্ষ বিপ্লৱ মহন্ত, বিজন গগৈ, মণিষা বৰুৱা, জিতু বৰুৱাই। উল্লেখ্য যে শ্ৰোতা সংঘই বিভিন্নজন ব্যক্তিৰ পৰা এই ধনৰাশি সংগ্ৰহ কৰিছিল। ধনৰাশি সংগ্ৰহত আগভাগ লৈছিল মধ্য অসম শ্ৰোতা সংঘৰ মুখ্য সঞ্চালক কিৰণ চন্দ্ৰ নাথ, সঞ্চালক ৰাজল দেৱ ৰবদৰে, উপদেষ্টা মিলেশ্বৰ ডেকা আৰু সদস্য বিমান মজুমদাৰে।

নাজিৰাত বানত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়াললৈ একঁকালীন সাহায্যৰ চেক বিতৰণ কৃষিমন্ত্ৰী পীযুষ হাজৰিকাৰ

অসম বার্তা, নাজিৰা, ১ আগষ্ট ঃ নাজিৰাত শেহতীয়াকৈ অহা প্ৰলয়কাৰী বানত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ অসম চৰকাৰৰ ফালৰ পৰা আগবঢ়োৱা একঁকালীন আৰ্থিক সাহায্যৰ চেক আজি নাজিৰা সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অসম চৰকাৰৰ কৃষি, জলসিঞ্চন বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই বিতৰণ কৰে। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী তথা শিৰসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী বিমল বড়া, নাজিৰা বিধান সভা সমষ্টিৰ বিধায়ক মযুৰ বৰগোহাঁইৰ লগতে সমজিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী সকল উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে বানত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে এই দুঃসময়ত অসম চৰকাৰ সদায় তেওঁলোকৰ কাষত থকাৰ আশ্বাস প্ৰদান কৰে। তাৎক্ষণিক আৰ্থিক সাহায্য হিচাপে অসম চৰকাৰৰ ফালৰ পৰা যোগ্য হিতাধিকাৰী সকলৰ পৰিয়ালসমূহলৈ ৪ লাখ



টকাকৈ একঁকালীন অনুদানৰ চেক প্ৰদান কৰা হয়। ইয়াৰ উপৰিও মাননিয় মুখ্যমন্ত্ৰী ড' হিমন্ত বিশ্ব শৰ্মাই ঘোষণামতে, সংশ্লিষ্ট পৰিয়ালসমূহে মুখ্যমন্

সম্পাদকীয়

বন্ধুত্ব দিৱস ঃ এক পুনৰীক্ষণ

আজি ২ আগষ্ট। বহু দেশত আজিৰ তাৰিখটোৱে বিশেষ মাহাত্ম্য বহন কৰে লগতে আমাৰ ভাবতোৰো বন্ধুত্ব দিৱস পালন কৰা হয় আগষ্ট মাহৰ প্ৰথম দেওবাৰে। বন্ধুত্ব, প্ৰেম আৰু বিশ্বাসৰ শক্তিক উদযাপন কৰা এই দিনটো বন্ধু-বান্ধৱীৰ মাজত থকা সম্পৰ্কক গভীৰ কৰি তোলাৰ এক সুৰৰ সুযোগ।

বন্ধুত্ব দিৱসৰ ইতিহাস সিমান পুৰণি নহয়। ১৯১৯ চনত আমেৰিকাৰ 'হলমাৰ্ক কাৰ্ডছ'ৰ প্ৰতিষ্ঠাপক জয়ছ হ'লে প্ৰথমবাৰৰ বাবে এই দিৱস উদযাপনৰ ধাৰণাটো প্ৰৱৰ্তন কৰিছিল। তেওঁৰ উদ্দেশ্য আছিল বন্ধু-বান্ধৱীয়ে ইজনে সিজনক কাৰ্ড আৰু শুভেচ্ছা পঠোৱা এটা দিন থাকিব লাগে। পৰবৰ্তী সময়ত ১৯৩৫ চনত পোণ্ডাৰত এই দিনটোক আনুষ্ঠানিক স্বীকৃতি দিয়া হয়। ২০১১ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ৩০ জুলাই তাৰিখটোক আন্তঃৰাষ্ট্ৰীয় বন্ধুত্ব দিৱস হিচাপে ঘোষণা কৰে। অৱশ্যে ভাবতত আগষ্ট মাহৰ প্ৰথম দেওবাৰে এই দিৱস পালন কৰাৰ পৰম্পৰা বৰ্তি আছে, কাৰণ দেওবাৰটো সামাজিক ৰীতি-নীতিৰ লগত ভালদৰে খাপ খায় আৰু বন্ধু-বান্ধৱীৰ সৈতে সময় কটাবলৈ সুবিধাজনক।

বন্ধুত্ব এটি অমূল্য সম্পৰ্ক। ই তেজৰ সম্পৰ্কতকৈও বহু গভীৰ হ'ব পাৰে। বন্ধু হৈছে আমি নিজে বাছি লোৱা পৰিয়াল। বন্ধুত্বই জাতীয়তা, সংস্কৃতি আৰু বিশ্বাস ব্যবস্থাৰ পাৰ্থক্য অতিক্ৰম কৰাৰ ক্ষমতা ৰাখে। আজিৰ বিভক্ত পৃথিৱীখনত দয়া, সমৰ্থন আৰু বুজাবুজিৰ গুৰুত্ব স্বীকাৰ কৰাত বন্ধুত্ব দিৱসে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বন্ধুত্বই সংঘাত বোধ কৰিবলৈ আৰু শান্তি গঢ়ি তুলিবলৈ অহিংসা, সহানুভূতি আৰু আলোচনাক উৎসাহিত কৰে।

যুৱক-যুৱতীসকলৰ মাজত এই দিৱস অতি উৎসাহেৰে পালন কৰা দেখা যায়। এই দিনটোত বন্ধু-বান্ধৱীক শুভেচ্ছা বাৰ্তা, ফুল, বন্ধুত্বৰ বেণু আৰু উপহাৰ দি নিজৰ মৰম আৰু যত্ন প্ৰকাশ কৰে। অসমীয়া সংস্কৃতিৰ বিশেষ পৰিচয় বহন কৰা গামোচা, খৰাহী, জাপি, বাঁহ-বেতৰ সামগ্ৰীয়া বা বেঙমৰ সাজ-পোছাক আদি বন্ধুক উপহাৰ দিব পাৰি। ইয়াৰ দ্বাৰা আমাৰ সমৃদ্ধ সাংস্কৃতিক পৰম্পৰাকো জীয়াই ৰখাত সহায় হয়।

কিন্তু বন্ধুত্ব দিৱসৰ এই উদযাপনৰ এটা অন্য দিশো আছে। এই দিৱসৰ আৱম্ভণি মূলতঃ এটা বাণিজ্যিক ধাৰণা আছিল- কাৰ্ড আৰু উপহাৰৰ বিক্ৰী বৃদ্ধি কৰাৰ উদ্দেশ্যে। কালক্ৰমত ই বাণিজ্যিকীকৰণৰ বলি হৈ পৰিছে। বহুতে এই দিনটোত কেবল বাহ্যিক আড়ম্বৰতে ব্যস্ত হৈ পৰে, সম্পৰ্কৰ গভীৰতাক উপেক্ষা কৰে। আকৌ, অনেকে মত প্ৰকাশ কৰে যে এনে আধুনিক দিৱসসমূহৰ প্ৰতি আকৰ্ষণ বেছি হৈ পৰাৰ ফলত আমাৰ পৰম্পৰাগত উৎসৱ-পাৰ্বণসমূহে যথোচিত গুৰুত্ব নাপায়। এই সমালোচনা আমলে লোৱাৰ সঁচা প্ৰয়োজন আছে।

শেষত ক'বলগীয়া যে, বন্ধুত্ব দিৱস কেবল এটা দিন নহয়। ই সম্পৰ্কবোৰ অনুভৱ কৰাৰ এক বিশেষ সুযোগ। বাস্তবিকতে প্ৰকৃত বন্ধুত্বৰ বাবে কোনো নিৰ্দিষ্ট দিনৰ প্ৰয়োজন নাই। কিন্তু এই দিনটোৱে আমাক আমাৰ জীৱনৰ অমূল্য সম্পদ বন্ধুসকলৰ কথা সোঁৱৰাই দিয়ে। গতিকে এই বন্ধুত্ব দিৱসত আহক আমি আমাৰ বন্ধুসকলক আঁকোৱালি লওঁ, তেওঁলোকৰ মৰম-যত্নৰ মূল্য বুজোঁ, আৰু প্ৰকৃত অৰ্থত বন্ধুত্ব বন্ধনক মজবুত কৰোঁ।

উজনিৰ বান আৰু অসমীয়াৰ ঐতিহাসিক সম্প্ৰীতিৰ নিদৰ্শন

প্ৰকৃতি যেনেকৈ অসমৰ বাবে এক অপূৰ্ব আশীৰ্বাদ, ঠিক তেনেকৈ কালক্ৰমী বানো এইখন ৰাজ্যৰ বাবে এক চিৰন্তন আৰু হৃদয়বিদাৰক অভিশাপ। যোৱা ১৯ জুলাইৰ নিশা সৃষ্টি হোৱা ভয়াৱহ জলপ্লাবনে উজনি অসমৰ কেইবাখনো জিলাত এক অৱৰ্ণনীয়, অভাবনীয় আৰু মৰ্মন্তুদ পৰিস্থিতিৰ সৃষ্টি কৰিছে। পাহাৰ খহি নামি অহা তীব্ৰ বানৰ কোবাল সোঁতে চকুৰ পলকতে উটুৱাই লৈ গ'ল হাজাৰ হাজাৰ পৰিয়ালৰ সপোনৰ ঘৰখন। মুহূৰ্ততে সৰ্বস্ব হেৰুৱাই নিঃস্ব হৈ পৰিল অজস্ৰ বানাক্ৰান্ত লোক। এই প্ৰলয়ংকাৰী বানত কিমান মানুহ উটি গ'ল, কিমান জীৱ-জন্তু আৰু চৰাই-চিৰিকটি বোকা-বালিত পোত গ'ল- তাৰ কোনো সীমা-সংখ্যা নোহোৱা হ'ল। শিৱসাগৰ, নাজিৰা, সোণাৰী, চৰাইদেউ, মোৰহাট, গোলাঘাট, মহমৰা আদিকৈ ধৰি সমগ্ৰ অঞ্চলটোত একো বাকী নৰ'ল। ঘৰ-বাৰী, খেতি-পথাৰ, ধানৰ ভঁৰাল, ঘৰৰা আচবাব, কিতাপ-বহী, খাদ্য-সামগ্ৰীৰ পৰা আৰম্ভ কৰি বিদ্যালয়-মহাবিদ্যালয়লৈকে সকলো ধ্বংসস্তূপত পৰিণত হ'ল।

অসম হৈছে প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰে মহীয়সী আৰু সংমিশ্ৰিত সংস্কৃতিৰে চৰকী এক অনন্য ভূমি। যুগ যুগ ধৰি এইখন ৰাজ্যত বিভিন্ন ধৰ্ম, বৰ্ণ, জাতি আৰু জনজাতিৰ লোকে বৈচিত্ৰ্যৰ মাজতো এক সুদৃঢ় সম্প্ৰীতিৰে পৰস্পৰা বন্ধা কৰি সহাস্থান কৰি আছিছে। 'অনেকান্ত মাজত ঐক্য'-হৈছে অসমৰ প্ৰাণস্পন্দন। বড়ো, মিচিং, কাৰ্বি, ডিমাছা, বাভা, তিৰা, দেউৰী আদি বহুতো খিলঞ্জীয়া জনজাতিৰ লগতে অজনজাতীয় সম্প্ৰদায় আৰু হিন্দু, ইছলাম, খ্ৰীষ্টান, বৌদ্ধ, শিখ আদি বিভিন্ন ধৰ্মীয় লোকে নিজ নিজ স্বকীয় ঐতিহ্য বজাই ৰাখি একেখন অসমীয়া সমাজতে যুগ যুগ ধৰি নিবিড়ভাবে বাস কৰি আছিছে। অতীতৰে পৰা অসমীয়া ভাষাই এই বিভিন্ন ভাষা-ভাষী আৰু ফৈদৰ লোকসকলৰ মাজত ভাৰ আদান-প্ৰদানৰ আৰু একতাৰ এক শক্তিশালী মাধ্যম হিচাপে কাম কৰি আছিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ উদাৰ মানৱতাবাদ আৰু আজান পীৰৰ সম্প্ৰীতিৰ বাৰ্তাই গঢ়ি তোলা এই সমাজখনত সংঘাত বা ভেদাভেদৰ প্ৰাচীৰখনে কেতিয়াও স্থায়ী ৰূপ ল'ব পৰা নাই। এই একতা কেবল এক আড়ম্বৰীয়া শব্দ বা মুখৰ কথা হৈ থকা নাই, বৰঞ্চ সমাজৰ প্ৰতিটো কঠিন পৰীক্ষাত এই বৰঘৰৰ ভেটি অধিক সুদৃঢ় হৈ প্ৰকাশ পাইছে।

প্ৰকৃতি যেনেকৈ অসমৰ বাবে এক অপূৰ্ব আশীৰ্বাদ, ঠিক তেনেকৈ কালক্ৰমী বানো এইখন ৰাজ্যৰ বাবে এক চিৰন্তন আৰু হৃদয়বিদাৰক অভিশাপ। যোৱা ১৯ জুলাইৰ নিশা অসম-নগাংলংগ সীমান্তৰ মন জিলাৰ নাগিনীমৰা পাহাৰত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা ভয়াৱহ জলপ্লয়ে উজনি অসমৰ কেইবাখনো জিলাত এক অৱৰ্ণনীয়, অভাবনীয় আৰু মৰ্মন্তুদ পৰিস্থিতিৰ সৃষ্টি কৰিছে। পাহাৰ খহি নামি অহা তীব্ৰ বানৰ কোবাল সোঁতে চকুৰ পলকতে উটুৱাই লৈ গ'ল হাজাৰ হাজাৰ পৰিয়ালৰ সপোনৰ ঘৰখন। মুহূৰ্ততে সৰ্বস্ব হেৰুৱাই নিঃস্ব হৈ পৰিল অজস্ৰ বানাক্ৰান্ত লোক। এই প্ৰলয়ংকাৰী বানত কিমান মানুহ উটি গ'ল, কিমান জীৱ-জন্তু আৰু চৰাই-চিৰিকটি বোকা-বালিত পোত গ'ল- তাৰ কোনো সীমা-সংখ্যা নোহোৱা হ'ল। শিৱসাগৰ, নাজিৰা, সোণাৰী, চৰাইদেউ, মোৰহাট, গোলাঘাট, মহমৰা আদিকৈ ধৰি সমগ্ৰ অঞ্চলটোত একো বাকী নৰ'ল। ঘৰ-বাৰী, খেতি-পথাৰ, ধানৰ ভঁৰাল, ঘৰৰা আচবাব, কিতাপ-বহী, খাদ্য-সামগ্ৰীৰ পৰা আৰম্ভ কৰি বিদ্যালয়-মহাবিদ্যালয়লৈকে সকলো ধ্বংসস্তূপত পৰিণত হ'ল।

সম্প্ৰতি জিলাকেইখনত সৃষ্টি হৈছে এক অকল্পনীয় অৱস্থাৰ। চাৰিওফালে কেবল মৃতদেহৰ পঁচা দুৰ্গন্ধ। আনফালে দূষিত পানী আৰু খৱ-খজুতিকে ধৰি নানা চৰ্মৰোগ তথা মহামাৰীসদৃশ বেমাৰত আক্ৰান্ত হৈ পৰিছে লাখ লাখ লোক। সৰ্বস্ব হেৰুৱাই দিশহাৰা হৈ পৰা এই লোকসকলৰ মুখৰ ওপৰত নাই এখন চালি, নাই বিশুদ্ধ খোৱাপানী, নাই খাদ্য- এক অনিশ্চিত ভবিষ্যতৰ আশংকাত হাহাকাৰ কৰি উঠিছে বানাক্ৰান্তসকলে। প্ৰকৃতিৰ চৰম তাণ্ডৱে মানুহৰ সপোনবোৰ নিমিষতে ছাই কৰি পেলাই অভূতপূৰ্ব মানবীয় সংকটৰ সৃষ্টি কৰিলে।

দুৰ্যোগৰ এই ঘোৰ অন্ধকাৰৰ সময়হোৱাত সমগ্ৰ অসমত সৃষ্টি হৈছে এক ঐতিহাসিক আৰু আবেগিক অৱস্থাৰ। লক্ষণীয়ভাবে বানপীড়িত লোকসকলৰ দুৰ্দশাৰ সমভাগী হৈ সমগ্ৰ অসমবাসী এক হৈ থিয় দিছে। ভৌগোলিক দূৰত্ব বা ৰাজনৈতিক মেৰুকৰণক নেওচি অসমৰ প্ৰতিটো প্ৰান্তৰ পৰা মানুহ দৌৰি আহিছে বানাক্ৰান্তসকলৰ কাষলৈ। কি তৰুণ, কি বৃদ্ধ, কি ধনী, কি দুখীয়া- সকলোৱেই খাদ্য, বস্ত্ৰ, ঔষধ আৰু বিশুদ্ধ খোৱাপানীকে ধৰি নানান সাহায্য সামগ্ৰীৰ টোপোলা লৈ দিগ্-বাতি একাকাৰ কৰি শি�ৰসাগৰ, নাজিৰা, চৰাইদেউৰ অভিমুখে যাত্ৰা কৰা দেখা গৈছে। 'আমি সকলো অসমীয়া, আমি একেজনী মাতৃৰে সন্তান'- এই সৰ্বজনীন আৰু নিঃউজ অনুভৱৰ মানসিকতাই সকলো সকৰ-বৰ দেৱাল ভগীয়ৰ কৰি সকলোৱে মূল লক্ষ্য হৈ পৰিছে বানাক্ৰান্ত সহোদৰসকলক উদ্ধাৰ কৰাটো।

নিজৰ সাঁচতীয়া ধন ৰয় কৰি বানপীড়িত অঞ্চললৈ খাদ্য সামগ্ৰী প্ৰেৰণ কৰাৰ উপৰিও ঘৰে ঘৰে সামগ্ৰী আৰু অৰ্থ সংগ্ৰহত ব্যস্ত হৈ পৰিছে সকলো। বাকচৰ চাদৰ ভাঁজত সুমুৱাই থোৱা সাঁচতীয়া টকা কেইটা বা সংকৰিত মেখেলা-চাদৰযোৰ এগাৰাকী মাতৃয়ে উলিয়াই দিছে- বানত নিঃস্বকা হোৱা আন এগাৰাকী ভয়ীৰ দেহাটো ঢাকিবৰ বাবে। এটিকা-দুটকাকৈ সাঁচি থোৱা মাটিৰ টেকেলিটো ভাঙি কণমানি সৰু ল'ৰা-ছোৱালীয়েও নিজৰ সমস্ত পুঁজি আগবঢ়াইছে দুগতিসকলৰ বাবে। শিল্পীসকলে গীত গাই গাই সাহায্য সংগ্ৰহ, সাংবাদিকসকলে এপদ দুপদকৈ সামগ্ৰী সংগ্ৰহ কৰিবলৈ উঠিপৰি লাগিছে সকলো অঞ্চললৈ। বাহু ড্ৰাইভাৰ, ট্ৰাক ড্ৰাইভাৰ, মেজিক সংস্থা, টমটম সংস্থা, বণিক সংস্থা, জ্যেষ্ঠ নাগৰিকৰ পৰা মহিলা সমিতিকে কোনো বাকী নাই। সহায়ৰ বাবে হাত উজান দিছে সকলোৱে। ইফালে বাট-পথত হাতত সাহায্য বাকচ লৈ আগবাঢ়ি অহা কিশোৰ-কিশোৰীসকলৰ কাতৰ আহ্বান আৰু সাহায্য শিবিৰত নিসংগ, দিশহাৰা বৃদ্ধাৰ চকুৰ পানী মচি এমুঠি খুবাবস্তু আগবঢ়াই দিয়া অচিনাকি ডেকাটোৰ আন্তৰিকতাই অসমীয়াৰ হৃদয়ৰ মৰম আৰু সংবেদনশীলতাক দৃঢ় কৰি তুলিছে। আনকি পলস বা বোকাত পোটখাই থকা ঘৰসমূহ বিনাপাবিশ্ৰমিকত পৰিষ্কাৰ কৰাৰ দায়িত্বও এচাম লোকে গ্ৰহণ কৰিছে আৰু হাতেকামে লাগি গৈছে। কেবল মানুহৰ বাবেই নহয়, বিপদৰ সময়ত নিজৰ জীৱন বিপন্ন কৰিও পোহনীয়া গৰু-ছাগলী, কুকুৰ-মেকুৰীৰ কাৰণো কৰি নাও বা ওখ ঠাইত তুলি অনাৰ দৃশ্যই প্ৰমাণ কৰে যে প্ৰকৃতি আৰু জীৱকুলৰ প্ৰতি অসমীয়াৰ দয়া আৰু প্ৰেম কিমান গভীৰ আৰু কিমান দায়বদ্ধ।

নলিনী ৰঞ্জন ভুঞা

সম্প্ৰতি উজনি অসমত হোৱা এই বান দুৰ্যোগৰ দৃশ্যই সমগ্ৰ পৃথিৱীতে প্ৰতিপন্ন কৰিছে যে বিপদৰ সময়ত অসমত অতীততো কোনো ধৰ্ম্ম প্ৰভেদ নাছিল, জাত-পাত বা ধনী-দুখীয়াৰ কোনো ভেদাভেদ নাছিল আৰু বৰ্তমানেও সেই ঐতিহাসিক একতাৰ দৃশ্য বিৰাজমান। কোনো দল-মত বা ৰাজনৈতিক চিন্তাক প্ৰাধান্য নিদি চৰকাৰী, বেচৰকাৰী সংস্থাসমূহ আৰু স্থানীয় বাইজ তথা যুৱক-সংগসমূহৰ স্বেচ্ছাসেৱকসকলে প্ৰাণপনে এবুজু পৰ্যন্ত পানীৰ সোঁতত নামি জনসাধাৰণক ৰক্ষা কৰাত ব্ৰতী হৈছে। আশ্ৰয় শিবিৰসমূহতো সৃষ্টি হোৱা নাই কোনো পৃথক অস্তিত্ব। এফালে যদি ইছলাম ধৰ্মী লোকসকলে আহাৰ বন্ধন কৰি হিন্দুসকলক আপ্যায়ন কৰিছে, আনফালে জনজাতীয় ককাই-ভনীয়ে অজনজাতীয় লোকসকলক খুৱাবৰ বাবে ভাত-দালি বন্ধন কৰা দেখা গৈছে। একেটা স্থানতে, একেটা শিবিৰতে একেলগে বহি ধনী-দুখীয়া, জাত-পাত, ধৰ্ম্ম ব্যবধান পাহৰি এমুঠি খোৱাৰ যি ছবি বৰ্তমান অসমত প্ৰতিফলিত হৈছে, সি প্ৰমাণ কৰিছে যে সকলো ভৌগোলিক আৰু ধাৰ্মিক পৰিচয়ৰ ওপৰত মানৱীয়তাই হৈছে আটাইতকৈ ডাঙৰ ধৰ্ম। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সৃষ্টি কৰি যোৱা 'ৰৱতসমঁৱ' সেই মহান ব্যৱস্থাটো কিমান উচ্চ, কিমান মহান-সেয়া এই দুৰ্যোগৰ সময়ত আকৌ এবাৰ প্ৰমাণিত হৈছে। বিপদে মানুহক সৰু-ৰৱ বিভাজন পাহৰাই একেডাল সুতাৰে বান্ধি পেলায়, আৰু অসমীয়া সমাজে সেই নীতিকে নিজৰ অন্তিত্বৰ মূল চালিকাশক্তি হিচাপে প্ৰতিষ্ঠা কৰাত স্বাভাৱিককেতিয়ে 'অনৈকান্ত মাজত ঐক্য'ৰ এই সনাতন উক্তিটো আজিৰ এই সন্ধিক্ষণত জিলিকি উঠিছে।

নিশ্চিতভাৱেই আজিৰ খণ্ড-বিখণ্ড আৰু ব্যক্তিগত স্বাৰ্থকেন্দ্ৰিক জগতখনত, উজনি অসমৰ বানৰ সময়ত প্ৰকাশ পোৱা এই অভূতপূৰ্ব একতাই সমগ্ৰ বিশ্বতে এক বিৰল আদর্শ স্থাপন কৰিলে। যি সময়ত ধৰ্ম্ম আৰু জাতিৰ নামত পৃথিৱীৰ বিভিন্ন প্ৰান্তত সংঘাত আৰু বৈষম্যৰ সৃষ্টি হৈছে, সেই সময়ত আনৰ দুখত দুখী আৰু সুখত সুখী হোৱাৰ এই বৈশ্বিক আৰু মহান মানসিকতাই বিশ্বৰ বুকুত অসমীয়াক এক সুকীয়া স্বাভিমান প্ৰদান কৰিলে। এই অনাবিল একতাই প্ৰমাণ কৰিলে যে মহাবাহুব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ বাস কৰা মানুহবোৰৰ ধমনীত বৈ থকা তেজৰ ৰং একে আৰু তেওঁলোকৰ স্পন্দনৰ নামো একে- 'আমি অসমীয়া'।

প্ৰকৃতিৰ দুৰ্যোগ আহে আৰু যায়। কিন্তু এই ভয়াৱহ সমস্যা আৰু দুৰ্যোগৰ মাজত অসমীয়া সমাজে যি সম্প্ৰীতি, সহমৰ্মিতা আৰু মানবীয়তাৰ অনুপম নিদৰ্শন প্ৰতিষ্ঠা কৰিলে, সি যুগ-যুগান্তৰলৈ অসমীয়া জাতিৰ মূল ভেটিক অধিক সুদৃঢ় কৰি ৰাখিব। বানৰ কোবাল সোঁতে ঘৰ-বাৰী, সা-সম্পত্তি উটুৱাই নিব পাৰে, কিন্তু অসমীয়াৰ হৃদয়ত যুগে যুগে গঢ়ি উঠা ঐক্য, ভাতৃত্ববোধ আৰু মানবীয়তাৰ বান্ধোন কেতিয়াও উটুৱাই নিব নোৱাৰে। উজনি বানৰ বিভীষিকাই অসমবাসীক চৰম আঘাত দি কন্দুৱাইছে, কিন্তু সেই চকুপানী মচি দিবলৈ সমগ্ৰ অসমে ঐক্যবদ্ধভাৱে আগবঢ়োৱা মৰম, সহানুভূতি আৰু সহমৰ্মিতাৰ হাতখনে আমাৰ সাতাপুৰুষীয়া একতাৰ ৰূপালী ৰেখাডাল অধিক স্পষ্ট আৰু চিৰন্তন কৰি তুলিছে।

এই আতুলনীয় একতাই আমাক সাহস, সান্ত্বনা আৰু নতুন আশাৰ বাট দেখুৱাব। ইয়াৰ লগতে চৰকাৰে এই দুৰ্যোগৰ মূল কাৰণসমূহ গভীৰভাবে আৰু নিৰপেক্ষভাবে পৰ্যালোচনা কৰাটো সময়ৰ এক অনিবাৰ্য দাবী হৈ পৰিছে। এই পৰিস্থিতিৰ সৃষ্টি কিয় হ'ল, কেনেকৈ হ'ল আৰু কোনবোৰ ত্ৰুটি, অবহেলা বা ব্যৰ্থতাৰ ফলত লাখ লাখ নিৰীহ জীৱনে এনেকৰুণ পৰিণতি ভোগ কৰিবলগীয়া হ'ল- সেই সকলো দিশ সং আৰু স্বচ্ছভাৱে অনুসন্ধান কৰি সত্য উদ্ঘাটন কৰাটো চৰকাৰৰ নৈতিক আৰু সাংবিধানিক দায়িত্ব। কেবল শোক প্ৰকাশ বা ক্ষতিপূৰণ ঘোষণা কৰিলেই এই দায়িত্ব শেষ নহয়। ভবিষ্যতে যাতে এনে মৰ্মান্তিক ঘটনা পুনৰ সংঘটিত নহয়, তাৰ বাবে কঠোৰ, সময়োপযোগী আৰু কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰি সেইবোৰ কাৰ্যকৰীভাৱে ৰূপায়ণ কৰাটোও সমানে জৰুৰী।

'মাক বিহিটোৱে পোৱা নাই'- নিঠৰুৱা হোৱা কণমানিৰ কঁপা কণ্ঠৰ এই হৃদয়বিদাৰক আৰ্তনাদ কেবল এটা বাৰ্তা নহয়। ই আমাৰ সমাজ, আমাৰ প্ৰশাসন আৰু আমাৰ বিবেকৰ প্ৰতি এক গভীৰ প্ৰশ্ন। এনে কৰুণ বাক্য যাতে পুনৰ কেতিয়াও অসমৰ আকাশত প্ৰতিধ্বনিত নহয়, কোনো শিশুৰে যাতে দুৰ্যোগৰ মাজত নিজৰ মাক-দেউতাকক হেৰুৱাই অসহায়ভাৱে কান্দিবলগীয়া নহয়, সেই নিশ্চয়তা প্ৰদান কৰাটো চৰকাৰৰ সৰ্বোচ্চ দায়িত্ব। এই দায়িত্ব পালনত কোনো ধৰণৰ গাফিলতি বা উদাসীনতাৰ স্থান থাকিব নোৱাৰে। প্ৰতিটো নাগৰিকৰ জীৱনৰ সুৰক্ষা নিশ্চিত কৰাৰ মাজতেই এখন দায়িত্বশীল চৰকাৰৰ প্ৰকৃত সফলতা নিহিত হৈ থাকে। কেবল দুৰ্যোগৰ সময়ত একতাবদ্ধ হোৱাই যথেষ্ট নহয়। ভবিষ্যৎ প্ৰজন্মৰ বাবে এক সুবৰ্ণিত, সুস্থিৰ আৰু সমৃদ্ধ অসম গঢ়ি তোলাটোৱেই আমাৰ প্ৰকৃত কৰ্তব্য। এই একতা, এই মানবীয়তা আৰু এই স্বাভিমান যুগ-যুগান্তৰলৈ অক্ষুণ্ণ থাকক- এয়াই প্ৰতিজন অসমীয়াৰ আন্তৰিক সংকল্প হোৱা উচিত।

অসমৰ বানপানীক ৰাষ্ট্ৰীয় সমস্যা হওঁক

সম্পাদক ডাঙৰীয়া,

অসমত সৰ্ব-ৰব বহু নদী আছে। তদুপৰি জান-জুৰি-নিজৰা আছেই। খৰালি কালত প্ৰায় বোৰ শুকাই যায়। বাৰিষা আহিলে আটাইবোৰ শক্তি শালী হৈ উঠে। ৰৱষুণৰ পৰিমাণ বেছি হ'লে য'তে-ত'তে বানপানী কৃত্ৰিম বানপানীয়ে। বানপানী হোৱাটো প্ৰকৃতিৰ সৃষ্টি। কিন্তু কৃত্ৰিম বানপানীয়ে মানুহৰ ভুলৰ বাবেই সৃষ্টি হয়। আজি আপুনি চহৰে নগৰে গাঁৱে-ভূঞে ঘুৰি ফুৰি চাওঁক। নলাৰ সু-ব্যৱস্থা বহুত কম। সুন্দৰ পৰিকল্পনা নাই। কিন্তু সৰুতে পঢ়িছিলো হৰষ্ণা সভ্যতা যুগত নলাৰ ব্যৱস্থা আছিল। এবাৰ ভাৰি চাওঁক সেই সময়ত। তেতিয়াই ৰজা মহাৰজা ই কিমান চিন্তাৰ দুৰ দৰ্শী আছিল। সেই বুলি আজিৰ বোৰক বোৱা বুলি ক'ব বিচৰা নাই। কিন্তু উন্নত মানৰ ৰাজহুৱা কাম কৰণ পৰিকল্পনা কম। এতিয়া বেছি ভাগ হিতাধিকাৰী আঁচনি ব্যবহাৰত ব্যস্ত। আমাৰ মানুহৰ মানসিকতা কিছু সলনি হৈছে। দিনে দিনে আমি মন্দিৰ বনোৱা, দলং বনোৱা। য'ত দলং নাই তাত নহয়। ইফালে অসমীয়া ভাষা জাতিৰ ভেটি প্ৰাকৃতিক সম্পদ সৌন্দৰ্য বিশুদ্ধ জলবায়ু সদায় কমি আহিছে। গৰমত গৰম ৰৱ নোৱাৰি। ইফালে বানপানী হ'লেও থাকিব নোৱাৰি। গৰমতে মানুহ মৰি আছে। প্ৰলয়ঙ্কাৰী বানত বহু মানুহ মৰিল। টিভিত, ম'বাইলত সেই দুখৰ ছবি দেখিলোঁ। ৰৱ মৰমান্তিক দৃশ্য। এই বাৰ প্ৰকৃতি বেছি খঙাল হোৱা যেন পাওঁ। পানীৰ সোঁত দেখি বুকু কপি যায়। এই প্ৰলয়ঙ্কাৰী বানত কিমান যে মানুহৰ ক্ষয়-ক্ষতি হৈছে। তাৰ হিচাপ নাই। কতো মানুহৰ ঘৰ দুৱাৰ ধান চাউল জীৱ জীৱ-জন্তু কানি কাপোৰ অনেক কৰ্মৰ বয় বস্তু হানি হৈছে। য'ত মানুহ বহু বছৰ পিছুৱাই গ'ল। আজি অতো বছৰে এনেদৰে মানুহ বিপদত পৰি আছে। তথাপি বান পৰিস্থিতিৰ পৰা সাৰধান হ'ব পৰা নাই। হঠাতে প্ৰলয় হৈছে।

সেইটো বাক্য অন্য কথা। কিন্তু আমাৰ ওচৰত থকা মহাবাহু ব্ৰহ্মপুত্ৰক বোধ কৰিব পৰা নাই। বহু কেইখন গাঁও খহটি-খহটি শেষ কৰিলে। মাটিৰ ভঙ্গাৰত টকাৰ ভঙ্গাৰত আজিও মথাউৰি কাষত বহুৰ বহুৰ ধৰি জীৱন নিৰ্বাহ কৰি আছে। সঁচা কথা ক'বলৈ হ'লে অসমৰ মূল সমস্যা বানপানী নদীৰ গৰাখহনীয়া, ছয় জনগোষ্ঠী জনজাতিকৰণ, আলফা সমস্যা সমাধান, বিদেশী খোদা আন্দোলন আদি সমস্যাবোৰ গজালি মেলি এতিয়া বৃক্ষ হল। কোনে ধৰণৰ সমাধান হোৱা নাই। আমি সৰুতে ৰেডিঅ'ৰ আঞ্চলিক বাতৰিত ৰাজ্যৰ বাতৰিত শুনিছিলো। তাৰ পাছত বাতৰি-কাকত পঢ়িলোঁ। তাৰ পাছত টি ভি ত চাবলৈ পালোঁ। এতিয়া আকৌ হাতে হাতে ম'বাইলত দেখি আছোঁ। ভাবকচোন কিমান দীঘলীয়া সময় পাৰ হৈ গ'ল। তথাপি সমাধান হোৱা নাই। কিন্তু অসমৰ প্ৰাকৃতিক সম্পদ সৌন্দৰ্য বিশুদ্ধ জলবায়ু দিনে দিনে কোম্পনীৰ নামত ধ্বংস হৈ আছে। বাট-পথৰ বাবে বহু মূল্যবান গছ-গছনি হেৰুৱালোঁ। আজিৰ পৰিস্থিতি দেখি দুখ লাগে। কিদৰে একটা পৰিয়ালৰ চাৰিজন মানুহ হেৰাই গ'ল। আজি উজনিত মহাপ্লয় হৈছে। হয়তো নামনিটোও হ'ব পাৰে। সেয়ে ক'ব বিচাৰোঁ আমি মুকলি পথাৰ থকা বাঞ্ছনীয়। নদ-নদীনৈলনা থকাটো উচিত। তেতিয়া অন্তত কিছু বাচি যাব। আমাৰ ইয়াতো প্ৰতি বছৰে বানপানী দুবাৰ তিনিবাৰ হয়। ইয়াত মানে পলাশবাৰী সমষ্টিৰ কথা কৈছোঁ। কিন্তু বিশেষ ক্ষতি নহয়। মানুহ মৰা, ঘৰ দুৱাৰ ভঙা ইত্যাদি। ক'বলাত কেতিয়াবা কাৰোবাৰ ধান খেতি তলপন্তে হয়। কাৰণ আমাৰ ইয়াত বিশাল দৰাবলি গো চৰণীয়া পথাৰ আছে। সকলো ফাললৈ অহা পানী ইয়াত জমা হয়। ই এবোৱাৰে সাগৰ পৃষ্ঠৰ কপ লয়। দেখিলে লেখিবা। এতিয়া চাওক যদি এই মুকলি পথাৰখন নাথাকে ইয়াত কিবা এটা হ'লে ইয়াৰ পানী বোৰ কলৈ যাব। নিশ্চয় ওচৰ চুবুৰীয়া গাঁৱবোৰ ডুবি যাব। কি হ'ব বাতিতে বিছ্নাত মানুহ মৰি থাকিব। কাকণো কি হ'ব? এনেহেন কথাবোৰ। যি হয় হ'ব। মাত্ৰ হ'ব লাগে। এচাম মানুহে প্ৰকৃতি কি বস্তু শুকতু নে দিয়ে। যেনেকৈ নহ'ব কৰ চলে বলে পাহাৰ কাটি ঢেৰ বৈচিত্ৰ্য ধ্বংস কৰি উন্নতি বিচাৰে। সেইবুলি উন্নয়নৰ বাধা হ'ব বিচৰা নাই। আমি নুবুজো বাবে প্ৰকৃতিয়ে নিজেই কাল মূৰ্তি ধাৰণ কৰিছে। এইটো অৱশ্যে বিজ্ঞানৰ কথা। আবাদী বিজ্ঞান নহ'লে মহাপ্লয় হ'ব হৈ। সেয়ে আমি ক'ব বিচাৰোঁ প্ৰকৃতিৰ ওপৰত শুকতু দিয়ক। মূল সমস্যাবোৰ শুকতু দিয়ক। বানপানীক ৰাষ্ট্ৰীয় সমস্যা হিচাপে শুকতু দি হিয়ক প্ৰতিবোধ কৰক। নহ'লে আমি উন্নতিও কৰিম একেদিনেই ধ্বংস ও হ'ম।

বিপুল চন্দ্ৰ দাস
নহিৰা গাঁও, দক্ষিণ কামৰূপ

সাহায্য প্ৰদানত আসোঁৱাহ আৰু সাহায্য প্ৰদানকাৰী সকলৰ দায়িত্ব

ব্ৰজেন দাস

উজনী অসমৰ শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ভয়াৱহ বান-পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰীভাবে ই'তিমধ্যে যথেষ্ট খাদ্য-সামগ্ৰী যোগান ধৰিছে। সাহায্য সামগ্ৰী প্ৰদান কৰাৰ ক্ষেত্ৰত গাফিলতি কৰাৰ বাবে শিৱসাগৰত এজন গাঁওবুঢ়াক বৰ্খাস্ত কৰাৰ খবৰো আমি দেখিবলৈ পাইছোঁ। সাহায্য সামগ্ৰী নেপাই বানাক্ৰান্তসকলে বাষ্ট্ৰীয় পথ অৱৰোধ কৰাৰ দৃশ্যও শিৱসাগৰত দেখিবলৈ পোৱা গৈছে। বানাক্ৰান্তসকলে দল

মঙলদৈ 'এ' ডিভিজন ফুটবল লীগত দলগাঁও চেম্পিয়ন

অসম বার্তা, মঙলদৈ, ১ আগষ্ট ঃ মঙলদৈ ক্রীড়া সম্থাৰ উদ্যোগত সোণালীপাম ষ্টেডিয়ামত চলি থকা কুমাৰ জ্যোতিৰিন্দ্ৰ নাৰায়ণ দেৱ, বাবুল শর্মা আৰু ৰাণী দেবী সৌবৰণী আন্তঃক্লাব 'এ' ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাত দলগাঁও ক্রীড়া সম্থাই খিতাপ দখল কৰিছে। আজি দলগাঁও ক্রীড়া সম্থা আৰু হাজৰিকাপাৰা আঞ্চলিক ক্রীড়া সম্থাৰ মাজত হোৱা ফাইনেল খেলখন উদ্বোধন কৰে প্ৰাক্তন ফুটবল খেলুৰে অমূল ডেকাই। উদ্বোধনী অনুষ্ঠানত দৰং জিলা পৰিষদৰ সভাপতি শেৱালি গোস্বামী কলিতা আৰু মঙলদৈ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ প্ৰতাপ বৰদলৈ, মঙলদৈ পৌৰসভাৰ পৌৰপতি নিৰ্মালী দেৱী শর্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। খেলত দলগাঁও ক্রীড়া সম্থাই হাজৰিকাপাৰাক টাইব্ৰেকোৰৰ সহায়ত সামগ্ৰিক ভাবে ৬-৫ গ'লৰ ব্যবধান পৰাজ্ঞ কৰে। নিৰ্ধাৰিত সময়ত খেলখন ৩-৩ গ'লত অমিমাংসিত হৈ আছিল। খেলত হাজৰিকাপাৰাৰ তন্ময় কলিতাই ৯ মিনিটত এগ'ল দিয়াৰ পাঁচ মিনিট পাছতেই দলগাঁৱৰ মিনহাজুল ইছলামে পেনাল্টী কিক্ কাৰ্যকৰী কৰে যদিও ৬ষ মিনিটত হাজৰিকাপাৰাৰ ৰাকেশ হাজৰিকাই এটা গ'ল দি পুনৰ সমতা স্থাপন কৰে। খেলখন ড্ হোৱাত ৰেফাৰীয়ে টাই ব্ৰেকাৰৰ সহায়ত ফলাফল নির্ধাৰণ কৰে। টাইব্ৰেকাৰত দলগাঁৱৰ আমিনুল ইছলাম, অবিনাশ তাঁতী আৰু চামচুমা বড়ো ৰে স্কৰ কৰাৰ বিপৰীতে হাজৰিকাপাৰাৰ অনিশ চহৰীয়া আৰু ভাগৰিজ্যোতি চহৰীয়াইহে স্কৰ কৰিবলৈ সক্ষম হয়। প্ৰতিযোগিতাত দলগাঁৱৰ দেৱ ভূমিজে শ্ৰেষ্ঠ খেলুৰে, দলগাঁৱৰ মন্দীপ গয়াৰীয়ে শ্ৰেষ্ঠ গ'লকীপাৰ আৰু হাজৰিকাপাৰাৰ বিশ্বজিৎ ডেকাই শ্ৰেষ্ঠ গ'লদাতাৰ পুৰস্কাৰ লাভ কৰে। ফাইনেল খেলখন পৰিচালনা কৰে ক্ৰমে আব্দুল হান্নান, মোস্তাফিজুৰ ৰহমান, দেৱজিৎ কলিতা আৰু দিপ্তী কুমাৰ বড়োৱে।



এপেক্স বেংক ষ্টাফ এচ'চিয়েচনৰ সকলো সদস্যৰ এদিনৰ দৰমহা দান

বানে গৰকা ৰাইজৰ মাজত নিত্য প্ৰয়োজনীয় সামগ্ৰী বিতৰণ

অসম বার্তা, ষ্টাফ বিপৰ্টাৰ, গোলাঘাট, ১ আগষ্ট ঃ অসম ক'-অপাৰেটিভ এপেক্স বেংক লিমিটেডৰ বিষয়া সকলক প্ৰতিনিধিত্ব কৰা 'এপেক্স বেংক ষ্টাফ এচ'চিয়েচন' (Apex Bank Staff Association) য়ে অসমৰ শেহতীয়া বানপানীৰ ফলত ক্ষতিগ্ৰস্ত লোকসকলৰ সহায়াৰ্থে নিজৰ সকলো সদস্যৰ এদিনৰ দৰমহা দান কৰি সংকটৰ সময়ত আৰ্তজনৰ কাষত থিয় দিয়াৰ প্ৰয়াস কৰিছে। এই মানৱীয় পদক্ষেপৰ অংশস্বৰূপে, সম্থাক প্ৰতিনিধিত্ব কৰা ছয়জনীয়া এটা দলে উপেন্ত্ৰা প্ৰশাস্থ শর্মাৰ নেতৃত্বত আৰু এন.এইচ.এম. (NHM) শিৰসাগৰ জিলা শাখাৰ সহযোগত ১ আগষ্টত বানপীড়িত পৰিয়ালসমূহৰ মাজত কেতবোৰ নিত্য প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰে। এই বিতৰণ কাৰ্যসূচীত শিশু খাদ্য, কাপোৰ-কানি, বহী, খাদ্যদ্ৰব্য, অন্তৰ্বাস, আঁঠুৰা, অনাময়/পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ সামগ্ৰী আদিকে ধৰি নানা প্ৰয়োজনীয় সামগ্ৰী আগবঢ়োৱা হয়। শিবসাগৰ জিলাৰ শিমলুগুৰিৰ সমীপবর্তী মাউত গাঁও,বনুৱা গাঁও,ঢুবকা গাঁও আৰু ইয়াৰ নিকটবর্তী বানপীড়িত অঞ্চলসমূহৰ মুঠ ৩০০টা বানপীড়িত পৰিয়ালক তাৎক্ষণিক সকাহ দিয়াৰ উদ্দেশ্যৰে জকৰী ঘনকৰা প্ৰয়োজনীয় সাহায্য সামগ্ৰীসমূহ প্ৰদান কৰা হয়। এই উদ্যোগ সম্পৰ্কে মন্তব্য কৰি এপেক্স বেংক ষ্টাফ এচ'চিয়েচনৰ সভাপতি মণিদীপ শর্মা আৰু সাধাৰণ সম্পাদক দীপাংকৰ শর্মা নেওগে কয় যে অসম আৰু অসমীয়াৰ সকলো বিপদৰ সময়ত বিপন্ন ৰাইজৰ কাষত থিয় হ'বলৈ সদায় প্ৰতিশ্ৰুতিবদ্ধ। এনেদৰে সাহায্য আগবঢ়োৱাটো এপেক্স বেংক ষ্টাফ এচ'চিয়েচন সামাজিক দায়িত্বৰে এক অংশ বুলি উল্লেখ কৰি তেওঁলোকে আশা প্ৰকাশ কৰে যে এই সহায়-সহযোগিতাই ক্ষতিগ্ৰস্ত লোকসকলক যথেষ্ট সকাহ দিব। এপেক্স বেংক ষ্টাফ এচ'চিয়েচনে ভবিষ্যতেও এচ'চিয়েচনে ভবিষ্যতেও প্ৰয়োজন সাপেক্ষে সমাজখনলৈ সহায়ৰ হাত সম্প্ৰসাৰিত কৰাৰ সংকল্প দোহাৰে আৰু এই সাহায্য বিতৰণ কাৰ্যসূচী সফলতাবে ৰূপায়ণ কৰাত সহযোগিতা আগবঢ়োৱাৰ বাবে এন.এইচ.এম. শিৰসাগৰ জিলা শাখাক ধন্যবাদ জ্ঞাপন কৰে।

দেৰগাঁৱত বিধ্বস্ত পথেৰে যাতায়াতৰ যন্ত্ৰণা

অৱহেলিত হৈ ৰৈছে কছাৰী পাম-বোকাদোৱা সংযোগী পথ

অসম বার্তা, দেৰগাঁও, ১ আগষ্ট ঃ দেৰগাঁও সমষ্টিৰ মধ্য ব্ৰহ্মপুত্ৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত কছাৰীপাম ৰাজহুৱা নিৰ্মাণ বিভাগৰ পথৰ পৰা বোকাদোৱা বগৰীয়নি সংযোগী পথটোৰ দীৰ্ঘদিনীয়া জৰাজীৰ্ণ অৱস্থাই স্থানীয় ৰাইজৰ বাবে এক গুৰুতৰ সমস্যা হৈ পৰিছে। পথটোৰ বিধ্বস্ত অৱস্থাৰ বাবে বিগত কেইবাবছৰ ধৰি প্ৰায় ২২টা পৰিয়ালে দৈনন্দিন যাতায়াতৰ ক্ষেত্ৰত চৰম অসুবিধাৰ সম্মুখীন হৈ আছিল। এই পথেৰেই কৃষি কৰ্মক্ষেত্ৰলৈ যোৱা লোকসকলৰ লগতে ব্যৱসায়ী আৰু ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিদিনে যাতায়াত কৰিবলৈ বাধ্য হয়। বিশেষকৈ বাৰিষা সময়ত পথটোৰ অৱস্থা অধিক শোচনীয় হৈ পৰে, যিয়ে সাধাৰণ জনজীৱনক ব্যাহত কৰি তোলে। স্থানীয় ৰাইজে এই সমস্যা সমাধানৰ বাবে স্থানীয় বিধায়ক, প্ৰশাসন তথা সংশ্লিষ্ট বিভাগক লিখিতভাবে অৱগত কৰি আহিছে যদিও, বৰ্তমানলৈকে কোনো ধৰণৰ ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। ৰাইজৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি জনসাধাৰণে সংশ্লিষ্ট কৰ্তৃ পক্ষক এই পথটো অনতিপলমে মেৰামতি কৰি যাতায়াতৰ সুচল ব্যৱস্থা কৰিবলৈ বিনম্ৰ অনুৰোধ জনাইছে।

১৬ আগষ্টৰ ভিতৰত e-KYC বাধ্যতামূলক, নহ'লে এলপিজি ভর্তুকি আৰু গেছ সেৱাত জটিলতাৰ আশংকা

অসম বার্তা, শিলচৰ, ১ আগষ্ট ঃ ইণ্ডিয়ান অইল কৰ্পৰেচন (IOC)-ৰ অধীনস্থ এলপিজি গ্ৰাহকসকলৰ বাবে এক গুৰুত্বপূৰ্ণ নির্দেশ জাৰি কৰা হৈছে। সংস্থাটোৰে অহা ১৬ আগষ্ট, ২০২৬-ৰ ভিতৰত সকলো গ্ৰাহকক e-KYC সম্পূর্ণ কৰিবলৈ আহ্বান জনাইছে। নির্ধাৰিত সময়সীমাৰ ভিতৰত এই প্ৰক্ৰিয়া সম্পূর্ণনকৰিলে ভবিষ্যতে এলপিজি ভর্তুকি লাভ কৰাত অসুবিধাৰ সৃষ্টি হ'ব পাৰে। লগতে ঘৰলৈ গেছ চিলিণ্ডাৰ নির্ধাৰিত মূল্যত লাভ কৰাৰ ক্ষেত্ৰতো জটিলতা দেখা দিব পাৰে। বিশেষ পৰিস্থিতিত গেছ সংযোগ বাতিল হোৱাৰ সম্ভাবনাও নুই কৰিব নোৱাৰি বুলি জানিবলৈ দিয়া হৈছে। শনিবাৰে বৰপথুৰস্থিত ইলোৱা গেছ এজেন্সীৰ বিজনেছ পার্টনাৰ লুৎফুৰ ৰহমান-এ একান্ত সাক্ষাৎকাৰত এই তথ্য প্ৰকাশ কৰে। তেওঁ কয় যে বর্তমান ১৪.২ কিলোগ্ৰামৰ ঘৰুৱা এলপিজি চিলিণ্ডাৰৰ মূল্য প্ৰায় ১, ০৮৭ টকা। কিন্তু সময়মতে e-KYC সম্পূর্ণনকৰিলে ভবিষ্যতে গ্ৰাহকসকলে অধিক মূল্যত চিলিণ্ডাৰ ক্ৰয় কৰিবলগীয়া হ'ব পাৰে অথবা গেছ যোগান আৰু ভর্তুকি সম্পৰ্কীয় সেৱাত সাময়িক বিঘ্ন ঘটিব পাৰে। তেওঁ আৰু জনায় যে গ্ৰাহকসকলে তিনিটা উপায়ে e-KYC সম্পন্ন কৰিব পাৰে। প্ৰথমতে, ইলোৱা গেছ এজেন্সীত গৈ এই প্ৰক্ৰিয়া সম্পন্ন কৰিব পাৰিব। দ্বিতীয়তে, গেছ ডেলিভাৰী বয়ৰ মোবাইলত থকা এপৰ জৰিয়তে গেছ ডেলিভাৰীৰ সময়তেই e-KYC কৰিব পাৰিব। অবশ্যে ইয়াৰ বাবে গ্ৰাহকসকলে বাধ্যতামূলকভাৰে গেছএজেন্সীত যাব লাগিব বুলি কোনো কথা নাই। স্মাৰ্টফোন ব্যৱহাৰ কৰি ঘৰত বহিয়েই সহজে এই প্ৰক্ৰিয়া সম্পন্ন কৰিব পাৰিব। ইয়াৰ বাবে মোবাইলত Indian Oil One আৰু Aadhaar FaceRD এপ ইনষ্টল কৰি আধাৰভিত্তিক ফেচ অথেণ্টিকেশ্যান জৰিয়তে বায়োমেট্ৰিক যাচই সম্পূর্ণ কৰিব লাগিব। ইলোৱা গেছ এজেন্সীৰ পদক্ষেপৰ অংশস্বৰূপে, সম্থাক প্ৰতিনিধিত্ব কৰা ছয়জনীয়া এটা দলে উপেন্ত্ৰা প্ৰশাস্থ শর্মাৰ নেতৃত্বত আৰু এন.এইচ.এম. (NHM) শিৰসাগৰ জিলা শাখাৰ সহযোগত ১ আগষ্টত বানপীড়িত পৰিয়ালসমূহৰ মাজত কেতবোৰ নিত্য প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰে। এই বিতৰণ কাৰ্যসূচীত শিশু খাদ্য, কাপোৰ-কানি, বহী, খাদ্যদ্ৰব্য, অন্তৰ্বাস, আঁঠুৰা, অনাময়/পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ সামগ্ৰী আদিকে ধৰি নানা প্ৰয়োজনীয় সামগ্ৰী আগবঢ়োৱা হয়। শিবসাগৰ জিলাৰ শিমলুগুৰিৰ সমীপবর্তী মাউত গাঁও,বনুৱা গাঁও,ঢুবকা গাঁও আৰু ইয়াৰ নিকটবর্তী বানপীড়িত অঞ্চলসমূহৰ মুঠ ৩০০টা বানপীড়িত পৰিয়ালক তাৎক্ষণিক সকাহ দিয়াৰ উদ্দেশ্যৰে জকৰী ঘনকৰা প্ৰয়োজনীয় সাহায্য সামগ্ৰীসমূহ প্ৰদান কৰা হয়। এই উদ্যোগ সম্পৰ্কে মন্তব্য কৰি এপেক্স বেংক ষ্টাফ এচ'চিয়েচনৰ সভাপতি মণিদীপ শর্মা আৰু সাধাৰণ সম্পাদক দীপাংকৰ শর্মা নেওগে কয় যে অসম আৰু অসমীয়াৰ সকলো বিপদৰ সময়ত বিপন্ন ৰাইজৰ কাষত থিয় হ'বলৈ সদায় প্ৰতিশ্ৰুতিবদ্ধ। এনেদৰে সাহায্য আগবঢ়োৱাটো এপেক্স বেংক ষ্টাফ এচ'চিয়েচন সামাজিক দায়িত্বৰে এক অংশ বুলি উল্লেখ কৰি তেওঁলোকে আশা প্ৰকাশ কৰে যে এই সহায়-সহযোগিতাই ক্ষতিগ্ৰস্ত লোকসকলক যথেষ্ট সকাহ দিব। এপেক্স বেংক ষ্টাফ এচ'চিয়েচনে ভবিষ্যতেও এচ'চিয়েচনে ভবিষ্যতেও প্ৰয়োজন সাপেক্ষে সমাজখনলৈ সহায়ৰ হাত সম্প্ৰসাৰিত কৰাৰ সংকল্প দোহাৰে আৰু এই সাহায্য বিতৰণ কাৰ্যসূচী সফলতাবে ৰূপায়ণ কৰাত সহযোগিতা আগবঢ়োৱাৰ বাবে এন.এইচ.এম. শিৰসাগৰ জিলা শাখাক ধন্যবাদ জ্ঞাপন কৰে।

ধর্মীয় তথা আধ্যাত্মিক চিন্তা-চেতনাইহে মানুহক শান্ত-সমাহিত কৰি তোলে ঃ ৰূপক বৈশ্য

বিশ্বশান্তিৰ বাবে একেবাহে ২৪ বছৰ ধৰি নলবাৰীৰ নিজ পকোৱাত ব'ল ব'ম জলযাত্ৰা

অসম বার্তা, চামতা, ১ আগষ্ট ঃ ধর্মীয় তথা আধ্যাত্মিক চিন্তা-চেতনাইহে মানুহক শান্ত-সমাহিত কৰি তোলে। এই বক্তব্য নলবাৰীৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ ৰূপক বৈশ্যৰ। নলবাৰী জিলাৰ ধর্মীয় তথা আধ্যাত্মিক ভাবাপূর্ণতাৰে পৰিপূর্ণ নিজ পকোৱা গাঁৱৰ ভক্তিপ্ৰাণসকলে বিশ্বশান্তিৰ বাবে একেবাহে ২৪ বছৰ ধৰি নিজ পকোৱাত ব'ল ব'ম জলযাত্ৰা পালন কৰি আহিছে। এই ক্ষেত্ৰত্ত বিশেষভাবে সমগ্ৰ অঞ্চলটোৰ ভক্তিপ্ৰাণ লোকসকলে স্বেচ্ছাই আগবাঢ়ি আহি সম্পূর্ণব্ৰত পালনৰে নিজক প্ৰভু ভগৱন্তৰ শ্ৰীচৰণত সেৱা জনাই আছিছে। এই কার্যত উৎফুল্ল হৈ প্ৰতিবেদক লাইভৰ সম্পাদক প্ৰধান জিলাখনৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা বনগাঁৱৰ জ্যোতি-কলা কেন্দ্ৰ (জেককেক) শিক্ষা প্ৰতিষ্ঠানৰ কার্যবাহী পৰিচালন সঞ্চালক কপক বৈশ্যই উক্ত বক্তব্য প্ৰদানেৰে ভকতৰ মার্গদর্শনত নিজকে বিলীন কৰি যাব পাৰিলেহে সমাজ সংস্কাৰ হ'ব আৰু তেতিয়াহে প্ৰকৃত মানৱ সমাজ নির্মাণ হ'ব বুলি আশা ব্যক্ত কৰে। উল্লেখ্য যে, বিগত বর্ষবোৰৰ দৰে এইবেলিও সম্পূর্ণ বৈদিক ৰীতি-নীতিৰে নিজ পকোৱা ব'ল ব'ম জলযাত্ৰা উদ্ যাপন সমিতিয়ে কামনা কৰিছে। পূর্ণিমা তিথিৰ পৰা এমাহজোৰা কার্যসূচীৰে ব'ল ব'ম জলযাত্ৰাৰ লগতে নাৰায়ণ পূজাভাগ আৰু ভাদ মাহৰ ১০ তাৰিখে ৰাখী পূর্ণিমাৰ দিনা আষ্টপ্ৰহৰৰ তথা শিব পূজাভাগ কৰা হ'ব। নিজ পকোৱা ব'ল ব'ম প্ৰাপ্তি ধাম প্ৰাঙ্গণত অনুষ্ঠিত হোৱা উক্ত অনুষ্ঠানৰ সকলো ধর্মীয় কার্যসূচীত উপস্থিত থকাৰ লগত ভক্তিপ্ৰাণ লোকৰ পৰা সহায়-সহযোগিতা ২৪ তম ব'ল ব'ম জলযাত্ৰা উদ্ যাপন সমিতিয়ে কামনা কৰিছে।

শিৱসাগৰ-চৰাইদেউলৈ ডিব্ৰুগড়ৰ শিক্ষাভেলী স্কুল আৰু সঞ্জীৱনী চিকিৎসালয়ৰ বান সাহায্য

অসম বার্তা, ষ্টাফ বিপৰ্টাৰ, ডিব্ৰুগড়, ১ আগষ্ট ঃ বিধৱংসী বানত ক্ষতিগ্ৰস্ত লোকসকলৰ কাষত থিয় দিবলৈ উজনি অসমৰ অন্যতম শিক্ষানুষ্ঠান শিক্ষাভেলী স্কুল আৰু ডিব্ৰুগড় সঞ্জীৱনী চিকিৎসালয়ে এক বৃহৎ বান সাহায্য অভিযান আৰম্ভ কৰিছে। বিশাল পৰিমাণৰ সামগ্ৰী আৰু চিকিৎসক-নার্ছৰ দল এটা লৈ শিৱসাগৰ আৰু চৰাইদেউ জিলালৈ ৰাওনা হয়। চৰাইদেউ জিলাত এক বৃহৎ বিনামূলীয়া চিকিৎসা শিৰিৰ আয়োজন কৰাৰ লগতে বানপীড়িত লোকসকলৰ মাজত বিভিন্ন খাদ্য সামগ্ৰী আৰু নিত্য প্ৰয়োজনীয় ব্যৱহার্য সামগ্ৰী প্ৰায় পাঁচ সহস্ৰাধিক পৰিয়ালৰ মাজত বিতৰণ কৰা হ'ব। সাহায্য সামগ্ৰীৰ ভিতৰত আছে চাউল, দাইল, আলু, পিয়াঁজ, মিঠাতেল, কেৰাহী, হেতা, বাল্টি, মগ, জাৰ, আঁঠুৰা, কাঁহি-বাটি, গিলাছ, কোৰ, কটাৰী, ব্ৰিচিং পাউডাৰ, ফেনাইল, চাৰ্বোন আদি। এই সাহায্য অভিযানত অংশগ্ৰহণ কৰিছে মেডিচিন বিশেষজ্ঞ ডাঃ শিখা শর্মা, শিশু ৰোগ বিশেষজ্ঞ ডাঃ ধর্মানন্দ নাথ, ডাঃ নীলম শ্যাম, ডাঃ ৰাণা বৰুৱাকে ধৰি কেইবাগৰাকীও চিকিৎসক আৰু নার্ছে। লগতে শিক্ষাভেলী স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী, কর্মচাৰী আৰু সঞ্জীৱনী চিকিৎসালয়ৰ চিকিৎসা কর্মীসকলেও অভিযানত অংশগ্ৰহণ কৰিছে। দলটোৰ নেতৃত্বত আছে শিক্ষাভেলী স্কুলৰ পৰিচালনা সঞ্চালক পুলিন চন্দ্ৰ গগৈ, চেয়াৰমেন বচন আগৰবালা, ভাইচ চেয়াৰমেন হেমন্ত কুমাৰ গগৈ আৰু সঞ্জীৱনী চিকিৎসালয়ৰ সঞ্চালক ত্ৰিদিবেশ গগৈ। বান দুর্যোগত সর্বশ্ৰান্ত হোৱা পৰিয়ালসমূহক তাৎক্ষণিক সহায় আৰু স্বাস্থ্যসেৱা আগবঢ়োৱাৰ লক্ষ্যৰে এই মানৱীয় উদ্যোগ গ্ৰহণ কৰা হৈছে বুলি জনোৱাৰ লগতে শিক্ষা ভেলী স্কুল আৰু সঞ্জীৱনী চিকিৎসালয়ে অনাগত দিনতো এনেদৰে অন্যান্য স্থানত বান সাহায্য বিতৰণ আৰু স্বাস্থ্য শিবিৰ আয়োজন কৰিব বুলি জনাইছে।

আজিৰে পৰা ৰাজ্যজুৰি নথকা বান্ধৰ পৰা পানী এৰি দিয়া' অভিযোগ

অৱশ্যে বর্তমান ৰাজ্যত চলি থকা বান-বিভীষিকাৰ ফলত উজনি অসমৰ দুখন পীড়িত জিলাত এই স্ব-গণনা প্ৰক্ৰিয়া লগে লগে আৰম্ভ কৰিব নোৱাৰি। সেই জিলা দুখনৰ বাবে পিছত বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সঞ্চালকগৰাকীয়ে স্পষ্ট কৰে। লোকপিয়লম সময়ত সংগ্ৰহ কৰা তথ্যৰ সম্পূর্ণ গোপনীয়তাৰে ৰাষ্ট্ৰীয় ডাটা চেণ্টাৰত সুৰক্ষিতভাবে সংৰক্ষণ কৰা হ'ব বুলি আশ্বাস দিয়ে পেণ্ডৰে। তেওঁ লগতে কয় যে এই তথ্যসমূহ কোনো ব্যক্তি বা সংস্থাক হস্তান্তৰ কৰা নহ'ব, যাৰ ফলত নাগৰিকসকলৰ গোপনীয়তা অক্ষুণ্ণ থাকিব। অহা লোকপিয়লখনৰ আওতাত ৰাজ্যৰ ৩৫টা জিলা, ১৬৬টা মহকুমা আৰু ২৬, ২৩৬টা গাঁও অন্তর্ভুক্ত হৈছে। এই বৃহৎ প্ৰক্ৰিয়াটো সুচাৰুভাবে পৰিচালনা কৰিবলৈ ইতিমধ্যে ৫৯জন মাষ্টাৰ ট্ৰেইনাৰক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। লোকপিয়লৰ প্ৰশ্নসূচীত মুঠ ৩৩টা প্ৰশ্নসিদ্ধি থাকিব। এই প্ৰশ্নসমূহৰ জৰিয়তে ঘৰৰ ধৰণ, পৰিয়ালৰ সদস্যৰ সংখ্যা, গৃহস্থৰ পৰিচয়, খোৱাপানীৰ উৎস, বান্ধনিঘৰৰ ব্যৱস্থা, লাখী গেছ (LPG) বা পাইপযুক্ত গেছশক্তস্তম্ভণ্ডা সংযোগকে ধৰি বিভিন্ন ঘৰুৱা সুবিধাৰ তথ্য সংগ্ৰহ কৰা হ'ব। বিশেষভাবে উল্লেখযোগ্য যে স্ব-গণনা প্লেটফৰ্মটো অসমীয়া ভাষাকে ধৰি মুঠ ১৬টা ভিন্ন ভাষাত উপলব্ধ থাকিব। সেয়েহে অসমৰ প্ৰত্যেক নাগৰিকেই নিজৰ সুবিধাজনক ভাষাত সহজে তথ্য দাখিল কৰিব পাৰিব। কোনো ধৰণৰ সহায় বা অধিক তথ্যৰ প্ৰয়োজন হ'লে নাগৰিকসকলে টোল-ফ্ৰী হেল্পলাইন নম্বৰ ১৮৫৫-ত যোগাযোগ কৰিব পাৰে। শেষত লোকপিয়ল পৰিচালন সঞ্চালকগৰাকীয়ে ৰাজ্যৰ সকলো নাগৰিককে শুদ্ধ আৰু সঠিক তথ্য প্ৰদান কৰি এই ৰাষ্ট্ৰীয় কার্যসূচীত সক্ৰিয়ভাবে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়, কাৰণ এই লোকপিয়লখনেই অহা দিনত ৰাজ্য আৰু দেশৰ উন্নয়নমূলক পৰিকল্পনাৰ বুনিয়াদ হিচাপে কাম কৰিব।

কাটিগড়াত ২০২৫ চনৰ বানত ক্ষতিগ্ৰস্ত লোক সকলৰ হাতত চৰকাৰী আর্থিক সাহায্যৰ চেক বিতৰণ

অসম বার্তা, শিলচৰ, ১ আগষ্ট ঃ ২০২৫ চনৰ বানত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ কাষত থিয় দিবলৈ চৰকাৰী উদ্যোগত আর্থিক সাহায্যৰ চেক বিতৰণ কৰা হয়। শনিবাৰে কাছাড় জিলাৰ কাটিগড়া চাৰ্কল কার্যালয়ৰ উদ্যোগত আয়োজিত এক অনুষ্ঠানত আনুষ্ঠানিকভাবে ক্ষতিগ্ৰস্তসকলৰ হাতত এই সাহায্যৰ চেক প্ৰদান কৰা হয়। অনুষ্ঠানত উপস্থিত আছিল কাটিগড়া বিধানসভা সমষ্টিৰ বিধায়ক কমলাক্ষ দে পুৰকায়স্থ, কাটিগড়া চাৰ্কলৰ চাৰ্কল বিষয়া যাত্ৰাকান্ত কর্মকাৰ, চাৰ্কল বিষয়া (এ) চম্পক শর্মা, দুর্যোগ ব্যবস্থাপনা বিভাগৰ ফিল্ড বিষয়া বিশাল চক্রবর্তী, বিজেপিৰ মণ্ডল সভাপতি বিশালাক্ষ দেবকে ধৰি প্ৰশাসনৰ অন্যান্য বিষয়াবর্গ আৰু বিশিষ্ট ব্যক্তিসকল। চৰকাৰী তথ্য অনুসৰি, ২০২৫ চনৰ বিধ্বংসী বানত কাটিগড়া চাৰ্কলৰ মুঠ ৪, ০৯৪জন লোক ক্ষতিগ্ৰস্ত হিচাপে চিনাক্ত কৰা হৈছে। সেই উপলক্ষে প্ৰতীকীভাবে পাঁচটা ক্ষতিগ্ৰস্ত পৰিয়ালৰ হাতত চৰকাৰী আর্থিক সাহায্যৰ চেক প্ৰদান কৰা হয়। প্ৰশাসনৰ ফালৰ পৰা জনোৱা হৈছে যে, পর্যায়ক্ৰমে বাকী উপযুক্ত ক্ষতিগ্ৰস্তসকলৰ হাততো এই আর্থিক সাহায্য প্ৰদান কৰা হ'ব। অনুষ্ঠানত উপস্থিত অতিথিসকলে আশা প্ৰকাশ কৰে যে, এই চৰকাৰী সাহায্যইবানপীড়িত পৰিয়ালসমূহক দুর্দিন অতিক্ৰম কৰি স্বাভাৱিক জীৱনলৈ উভতি আহিবলৈ কিছু পৰিমাণে সহায় কৰিব। লগতে ভবিষ্যতেও প্ৰাকৃতিক দুর্যোগত ক্ষতিগ্ৰস্ত লোকসকলৰ কাষত চৰকাৰ সদায় থিয় দিব বুলিও আশ্বাস প্ৰদান কৰা হয়।

আৰক্ষীৰ ৰঙা নীলা লাইট লগাই গোলাঘাটত যুবকৰ তাণ্ডৱ; বন্দুক উদ্ধাৰ, যুবকক গ্ৰেপ্তাৰ

অসম বার্তা ষ্টাফ বিপৰ্টাৰ, গোলাঘাট, ১ আগষ্ট ঃ এখন বিলাসী বাহনত আৰক্ষীৰ দৰে ৰঙা নীলা লাইট লগাই কালি গোলাঘাট নগৰত তাণ্ডৱ সৃষ্টি কৰিছিল এজন যুবকে। গোলাঘাট নগৰৰ মাজ মজিয়াৰ বাটচাৰিআলিত আৰক্ষীৰ নাকা চেকিঙত ধৰা পৰে ৰঙা নীলা লাইট লগাই ঘুৰি ফুৰা AS-01DG-3013 নম্বৰৰ এখন স্কৰ্পিঅ' বাহন। লগতে গাড়ীখনৰ পৰা আৰক্ষীয়ে এটা বন্দুক আৰু ড্ৰাগছ সেৱনত ব্যবহাৰ কৰা এটা চিৰিঞ্জ উদ্ধাৰ কৰে। আৰক্ষীৰ সূত্ৰৰ পৰা জানিব পৰা মতে, গোলাঘাটৰণকপুখুৰীৰ অংশমান বৰা নামৰ এজন যুবকে কাৰি সন্ধিয়াৰে পৰা গোলাঘাট নগৰত এই স্কৰ্পিঅ' বিলাসী বাহনখন নিৰে তীব্ৰ বেগত চলাই কেইবাটাও পথ দুর্ঘটনা সংঘটিত কৰি পলাবলৈ চেষ্টা চলাওঁতেইনাকা চেকিঙত আৰক্ষীয়ে ৰোধাস্থ কৰে। পাছত আৰক্ষীয়ে গাড়ীখন জব্দ কৰি থানা চৌহদত তম্ভ তন্নাকৈ তালাচী চলোৱাত গাড়ীখনৰ পৰা এটা বন্দুক আৰু এটা চিৰিঞ্জ উদ্ধাৰ কৰে। এতিয়া আৰক্ষীয়ে তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰি যুবকজনক সোধ পোছ অব্যাহত ৰাখিছে যদিও নিজা গাড়ীত সদম আৰক্ষীৰ ৰঙা নীলা লাইট ব্যৱহাৰ কৰি যুবকজনে মাৰাত্মক বে ফুৰা ঘটনাটো কিন্তু ৰহস্যজনক বুলি বিভিন্ন মহলত মহলত চর্চা চলিছে। বিশেষকৈ গাড়ীখন আৰক্ষী গাড়ীৰ দৰে লাইট লগাই ড্ৰাগছ সৰবৰাহ কৰাৰ ক্ষেত্ৰত ব্যবহাৰ কৰি থকা হৈছিল নেকি; তাকৰেও এতিয়া সচেতন মহলত প্ৰশ্ন উঠিছে।

অজিত ডোভালক 'লোকমান্য'

১০৬ সংখ্যক মৃত্যু বার্ষিকী উপলক্ষে আয়োজিত এই অনুষ্ঠানত গৃহমন্ত্ৰীগৰাকীয়ে তিলকৰ নির্ভীক বাষ্ট্ৰবাদী চিন্তাধাৰাৰ লগত ডোভালৰ আধুনিক নিৰাপত্তা ব্যৱস্থাৰ তুলনা কৰি বিশেষভাবে গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত ভাষণ দি অমিত শাহে কয় যে ভাৰতৰ নিৰাপত্তা আৰু বৈদেশিক নীতিৰ ক্ষেত্ৰত অজিত ডোভালৰ অবদান ইমানেই গুৰুত্বপূর্ণ যে ইয়াক সোণালী আখৰেৰে লিখি ৰাখিব লাগিব। তেওঁ স্পষ্টভাবে উল্লেখ কৰে, "যেতিয়াই ভাৰতৰ অভ্যন্তৰীণ আৰু বাহ্যিক নিৰাপত্তাৰ ইতিহাস লিখা হ'ব, তেতিয়াই ডোভালজীৰ বাবে এটা সোণালী পৃষ্ঠা সংৰক্ষিত ৰাখিব লাগিব — এই ক্ষেত্ৰত কোনো সন্দেহ নাই।" লোকমান্য তিলকক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি গৃহমন্ত্ৰীগৰাকীয়ে তেওঁক স্বাধীনতা সংগ্ৰামৰ নতুন দিশ প্ৰদান কৰা এজন যুগান্তকাৰী পুৰুষ বুলি অভিহিত কৰে। তেওঁ তিলকৰ বিখ্যাত ঘোষণা 'স্বৰাজ মোৰ জন্মস্বত্ব' —ৰ কথা উল্লেখ কৰি কয় যে এই মন্ত্ৰখনে কোটি কোটি ভাৰতীয়ৰ হৃদয়ত স্বৰাজৰ জ্যোতি প্ৰজ্জ্বলিত কৰিছিল। তিলক আছিল এজন মহান শিক্ষক, নির্ভীক সাংবাদিক, গভীৰ চিন্তাবিদ আৰু অক্লান্ত কর্মযোগী। সমগ্ৰ স্বাধীনতা সংগ্ৰামত তেওঁৰ অবদান সম্পূর্ণৰূপে তুলনাহীন বুলি ৰাখিহে উল্লেখ কৰে। অমিত শাহে তিলকৰ সাহসিকতাৰ লগত অজিত ডোভালৰ কার্যদক্ষতাৰ এক সূক্ষ্ম তুলনা আগবঢ়ায়। তেওঁ কয় যে তিলকে 'কেশৰী

কেৰালাত প্ৰলংকাৰী বান-ভূমিস্খলনত

পাথানামথিট্টা, কোট্টায়ম, ইডুক্কি, মালাপ্পুৰম, ক'ঝিকোড, ৱায়ানাড, কান্নুৰ আৰু কাসাৰগোড জিলাত ৰেড এলাৰ্ট জাৰি কৰিছে। ৰাষ্ট্ৰীয় সংবাদমাধ্যমৰ সূত্ৰ মতে, ইডুক্কি জিলাত ভূমিস্খলনত দুজন লোকৰ মৃত্যু হয়। প্ৰশাসনে জনাবা অনুসৰি নিহতসকলৰ নিহতকৰণৰ আদৰমালা অঞ্চলৰ ৬৯ বছৰীয়া এগৰাকী বৃদ্ধা আছে। পাহাৰৰ এটা অংশ খহি তেওঁৰ বাসগৃহত পৰাত তেওঁ মৃত্যুমুখত পৰে। সৌভাগ্যক্ৰমে স্থানীয় লোকসকলে তেওঁৰ ৭২ বছৰীয়া স্বামী ৰবি নাৰায়ণন আৰু ৩৮ বছৰীয়া পুত্ৰ ৰতীশক জীৱিত অৱস্থাত উদ্ধাৰ কৰিবলৈ সক্ষম হয়। কোট্টায়ম জিলাতো ধাৰাসাৰ ৰবষুণে ব্যাপক ক্ষতি সাধন কৰে। পুঞ্জাৰ অঞ্চলত সংঘটিত ভূমিস্খলনত ২৮ বছৰীয়া এগৰাকী যুৱতীৰ মৃত্যু হয়। যুৱতীগৰাকীৰ মাতৃ ৰেজিনা জেলী এতিয়াও নিখোজ হৈ আছে। তেওঁক বিচাৰি উদ্ধাৰকাৰী দলে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। ইয়াৰ উপৰিও অঞ্চলটোৰ আন এজন ব্যক্তিও নিখোজ হৈ থকা বুলি জানিব পৰা গৈছে। ইফালে, ভগামন অঞ্চলত আৰ্ম্মীয় লীলামৰিৰ বাসগৃহত থকা ৭২ বছৰীয়া প্ৰভাকৰণ নায়াৰেই ভূমিস্খলনত মৃত্যু হয়। ঘৰখনৰ এটা অংশ সম্পূৰ্ণ ধ্বংস হোৱাৰ পিছত ভয়াবশেষ আঁতৰাই তেওঁৰ মৃতদেহ উদ্ধাৰ কৰা হয়। এই প্ৰাকৃতিক দুৰ্যোগৰ আঁৰত আছে অভূতপূৰ্ব পৰিমাণৰ ৰবষুণ। মাত্ৰ ৯ ঘণ্টাৰ ভিতৰতে কেইবাটাও অঞ্চলত ৩০ চেণ্টিমিটাৰতকৈ অধিক ৰবষুণ হয়। ইডুক্কি ৱ ভগামনত ৩১.৪ চেণ্টিমিটাৰ, পাথানামথিট্টাৰ ভাদাচ্চিৰিকাৰাত্ত ৩৩ চেণ্টিমিটাৰ আৰু লাহা অঞ্চলত চণ্ড চেণ্টিমিটাৰ ৰবষুণ ৰেকৰ্ড কৰা হয়। অতি বৃষ্টিৰ ফলত পাম্পানদীৰ জলস্তৰ হঠাতে বৃদ্ধি পায় আৰু নদীৰ দুয়োপাৰৰ বহু বাসগৃহ প্লাবিত হয়। ৰাণী চৰৱ সম্পূৰ্ণ জলমগ্ন হৈ পৰে আৰু বহু বান-ৰাহৰ বানপানীত আৱদ্ধ হৈ ৰৈ যায়। বানপীড়িত অঞ্চলত ৰাষ্ট্ৰীয় বিপৰয় মোকাবিলা বাহিনী (NDRF), অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু স্থানীয় লোকসকলে যৌথভাৱে উদ্ধাৰ অভিযান চলাই আছে। তেওঁলোকে নাওৰ সহায়ত ঘৰত আৱদ্ধ লোকসকলক সুৰক্ষিত স্থানলৈ স্থানান্তৰ কৰাৰ লগতে সাহায্য শিবিৰত আশ্ৰয় লোৱা লোকসকলক খাদ্য আৰু পানী যোগান ধৰিছে। বৰ্তমান তিনিখন জিলাতে জৰুৰীকালীন পৰিস্থিতিৰ সৃষ্টি হৈছে আৰু চৰকাৰী প্ৰশাসনে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ আটাই প্ৰয়াস চলাই আছে।

শৈশৱৰ ভুলৰ পৰা শিক্ষা ল'ব পাৰি,

প্ৰধানমন্ত্ৰী মোদীয়ে ভিডিঅ' টোত উল্লেখ কৰে যে যন্ত্ৰৰ-মন্ত্ৰৰ ঘটনাটোৱে দেশ আৰু বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিছিল। সেই সময়ত একাংশ ছাত্ৰ-ছাত্ৰীয়ে তেওঁক লক্ষ্য কৰি নিকৃষ্ট গালি-গালাজ কৰাৰ লগতে তেওঁৰ এষাৰ মাতৃকো জঘন্য ভাষাৰে গালি দিছিল। তেওঁ কয় যে এনে ভাষা কোনো সভ্য সমাজৰ শোভা নাপায়, আৰু সৰু ছোৱালী-ল'ৰাই কেনেকৈ এনে ভাষা ব্যবহাৰ কৰিব পাৰে সেই কথা চিন্তা কৰি তেওঁ আচৰিত অনুভৱ কৰিছে। কিন্তু এই পৰিস্থিতিৰ মাজতো প্ৰধানমন্ত্ৰীগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি সৌম্য দৃষ্টিভংগী প্ৰদৰ্শন কৰে। তেওঁ কয় যে শৈশৱ আৰু যৌবনৰ আৱস্তণিতে ভুল-ত্ৰুটি ঘটেই, আৰু এই ভুলবোৰৰ মাজেৰেই আমি নতুনকৈ শিকিবলৈ আৰু উন্নতি কৰিবলৈ সুযোগ লাভ কৰোঁ। গতিকে তেওঁ এই ছাত্ৰ-ছাত্ৰীসকলক শাস্তি বা দীৰ্ঘদিনীয়া আইনী ব্যৱস্থাৰ সম্মুখীন কৰাৰ পৰিবৰ্তে 'বিপথে পৰিচালিত শিশু' বুলি অভিহিত কৰি তেওঁলোকক পথ প্ৰদৰ্শন কৰাৰ ওপৰত গুৰুত্ব দিয়ে। সমাজৰ প্ৰতি আহ্বান জনাই প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "এই ল'ৰা-ছোৱালীবোৰো আমাৰেই। সমাজত থকা ক্ষোভৰ বিষয়ে এই সম্পূৰ্ণৰূপে বুজিব পাৰিছো, কিন্তু তেওঁলোকক আঁকোৱালি লৈ সঠিক পথ দেখুৱাই দিয়াটোৱেই আমাৰ কৰ্তব্য। পিছত এওঁলোকে ভুল কৰিছিল হোৱাটো কঠিন, তথাপি আমি কঠিন কাম কৰিব লাগিব। গতিকে মই এই ল'ৰা-ছোৱালীবোৰক কওঁ — আহা, এই দেশৰ স্বাৰ্থত আমি একেলগে আগবাঢ়ি যাওঁ।" ছাত্ৰ-ছাত্ৰীসকলক পোনপটিয়াকৈ সম্বোধন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে তেওঁলোকে নিজৰ ভুলৰ পৰা শিকি গ্ৰহণ কৰিবলৈ কয় এটা শিকিব লাগে আৰু নিজৰ পৰিচয়ক সাৰ্থক কৰিব লাগে। তেওঁ লগতে উল্লেখ কৰে যে দেশখনে বৰ্তমান বহুত আগ্ৰগতি লাভ কৰিছে আৰু আৰিৰ আগ্ৰগতিৰ বাবে সাজু হৈ আছে। সেয়েহে তেওঁ আহ্বান জনায় যে সকলোৱে একেলগে হাত মিলাই দেশখন আগুৱাই লৈ যাওক। শেষত তেওঁ কয়, "মাত্ৰ আগবাঢ়ি যাওক, নিজৰ ভুলৰ পৰা শিকিব, আৰু সময়তকৈ আগত আগবাঢ়ি যাওক।" প্ৰধানমন্ত্ৰী মোদীৰ এই বিবৃতিয়ে ৰাজনৈতিক আৰু সামাজিক মহলত ব্যাপক আলোচনা সৃষ্টি কৰিছে। অনেকেই তেওঁৰ এই ক্ষমাপ্ৰৰণামূলক আৰু পথ প্ৰদৰ্শনমূলক দৃষ্টিভংগীক সাদৰে সমৰ্থন কৰিছে, আনহাতে কিছুমান ছাত্ৰ-ছাত্ৰীয়ে অনিয়মৰ বাবে আইনী ব্যৱস্থাৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে। তথাপি প্ৰধানমন্ত্ৰীগৰাকীয়ে যুৱ প্ৰজন্মক বুজি পোৱা আৰু তেওঁলোকক উৎসাহিত কৰা এই দৃষ্টিভংগীটোকে অধিক গুৰুত্ব দিছে।

বানপীড়িত অসমত অৰুণোদয়

আঁচনি হৈ নাথাকি, ই পৰিয়ালসমূহক আৰ্থিকভাবে সবল কৰাৰ লগতে এখন নিৰ্ভৰযোগ্য আৰ্থ-সামাজিক সুৰক্ষা ব্যৱস্থালৈ পৰিণত হৈছে। মুখ্যমন্ত্ৰী শৰ্মাই উল্লেখ কৰে যে চলিত বৰ্ষৰ এপ্ৰিল মাহত হিতাধিকাৰীসকলক ৯ হাজাৰ টকা প্ৰদান কৰা হৈছিল। নতুন আঁচনিৰ অধীনত এতিয়া প্ৰতি মাহে ৩৭ হাজাৰ মহিলাই নিয়মিতভাবে অৰুণোদয়ৰ ধন লাভ কৰিব। লগতে তেওঁ স্পষ্ট কৰে যে শিবসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ অৰুণোদয়ৰ অন্তৰ্ভুক্ত প্ৰায় ৪ লাখ মহিলাৰে ২,৫০০ টকাকৈ আৰু বাকী জিলাসমূহৰ মহিলাসকলৰে ১,১০০ টকাকৈ আগবঢ়োৱা হ'ব। বাকী জিলাসমূহৰ মহিলাসকলৰ পৰা ১৫০ টকাকৈ কৰ্তন কৰি সেই ধন বানপীড়িত চাৰিখন জিলাৰ মহিলাসকলৰে অধিক পৰিমাণত প্ৰেৰণ কৰা হৈছে, যাতে তেওঁলোকে কিছু সকাহ পায়। অৰুণোদয় আঁচনিৰ সুবিধা যাতে কেবল প্ৰকৃত হিতাধিকাৰীয়েই লাভ কৰে, তাৰ বাবে চৰকাৰে আধাৰভিত্তিক হিতাধিকাৰী ব্যৱস্থা প্ৰৱৰ্তন কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে অগণত কৰে। তেওঁ লগতে কয় যে প্ৰতিটো বিধানসভা সমষ্টিত বিশেষ 'অৰুণোদয় সাৰথি' নিযুক্তি দিয়া হ'ব, যিয়ে হিতাধিকাৰীসকলক নামভৰ্তি, অভিযোগ নিষ্পত্তি আৰু প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়াব। মুখ্যমন্ত্ৰী শৰ্মাই হিতাধিকাৰীসকললৈ এক আহ্বান জনাই কয় যে তেওঁলোকে বহুবি লাভ কৰা অৰুণোদয়ৰ প্ৰাপ্য ধন বিপৰীতে সুদবিহীন ক্ষুদ্ৰ ঋণ লাভ কৰিব পাৰিব। বৰ্তমান এই ঋণৰ সৰ্বোচ্চ সীমা বঢ়াই ২৫, ০০০ টকা পৰ্যন্ত। উল্লেখনীয় যে এই ঋণৰ কিস্তি ভৱিষ্যতৰ মাহিলি অৰুণোদয়ৰ ধনৰ পৰা স্বয়ংক্ৰিয়ভাবে সমন্বিত কৰা হ'ব। ইচ্ছুক হিতাধিকাৰীয়ে বেংকৰ জৰিয়তেও ঋণ ল'ব পাৰিব আৰু তাৰ কিস্তিও মাহিলি অৰুণোদয়ৰ সহায়ৰ পৰা সহজে পৰিশোধ কৰিব পাৰিব। অনুষ্ঠানত উপস্থিত থকা বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই সাংবাদিকসকলক জানিবলৈ দিয়ে যে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথম কিস্তিৰ ধন আজি মুকলি কৰা হৈছে। তেওঁ কয় যে অসমৰ ৩৭ লাখতকৈ অধিক আইমাতৃলৈ আজি অৰুণোদয়ৰ ধনৰাশি আগবঢ়োৱা হৈছে। বিশেষকৈ বানাক্ৰান্ত শিবসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ হিতাধিকাৰীসকলৰ এই ধনৰাশি দুগুণ কৰি ২, ৫০০ টকাকৈ প্ৰদান কৰা হৈছে, যাৰ ফলত তেওঁলোকে বানৰ প্ৰকোপৰ পৰা কিছু পৰিমাণে আৰ্থিক সকাহ পাব বুলি বিত্তমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। ইফালে বাজ্যজুৰি বানৰ প্ৰভাৱ ব্যাহত থকাৰ সময়তে অৰুণোদয়ৰ৮৩.৩ শুভাৰম্ভণিয়ে বাজ্যবাসীৰ মাজত এক সুকঙৰ দৰে কাম কৰিছে। চৰকাৰৰ এই পদক্ষেপে আৰ্থিকভাবে দুৰ্বল পৰিয়ালসমূহক বিশেষভাবে উপকৃত কৰিব বুলি বাজ্যৰ বিভিন্ন মহলৰ পৰা সমৰ্থন প্ৰকাশ কৰা হৈছে।

মৰিগাঁও আৰক্ষীৰ জালত ১২টা

হোৱা ছাইবাৰ অপৰাধী কেইটা ক্ৰমে - মৈবাৰাৰী বৰথল দৌলগাঁৱৰ আশ্বাৰুল আলম (২৬), মিকিবভেটা বগাবৰীৰ ইকবাল ছুহেন (২৬), লাহৰীঘাট শান্তিপুৰ গঁৰেমাৰীৰ আজাহাৰুল ইছলাম (২৬), মিকিবভেটা ছেৱগাৰীৰ বাছিদুল ইছলাম (২৭)), লাহৰীঘাট ভূএাবাৰীৰ পামৰ হাফিজ উদ্দিন (৫১)), লাহৰীঘাট ভূএাবাৰীৰ জিয়াৰুল ইছলাম ((২৩)), লাহৰীঘাট বোৰালগুৱীৰ বাবুল ইছলাম ((৪২)), লাহৰীঘাট বৰখাবলৰ ইনামুল কৰিম ((২৭)), ৰৱবড়ী জয়দুল ইছলাম ((৩২)), ৰৱবড়ীৰ মইবুল ইছলাম ((২৯), তুলসীবড়ীৰ আজাহাৰুল ইছলাম, আৰু মিকিবভেটাৰ আজাহাৰুল ইছলামক লৈ মুঠ ৰাব জন। উল্লেখ্য যে বিধানসভা মজিয়াত ছইবাৰৰ অপৰাধ সন্দৰ্ভত লাহৰীঘাট সমষ্টিৰ বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰে জিৰ'আৱাৰত তোলা কেতবোৰ গুৰুতৰ অভিযোগৰ পাছতে হঠাত ছইবাৰ অপৰাধীৰ বিৰুদ্ধে সক্ৰিয় হয় মৰিগাঁও আৰক্ষী। যোৱা ২৮ জুলাইত বিধান সভাৰ মজিয়াত বিধায়ক গৰাকীয়ে অভিযোগ আনিছিল যে জিলাখনত তিনি চাৰিবাৰ গ্ৰেপ্তাৰ হোৱা একাশে ছইবাৰ অপৰাধীৰ ভয়ানক ভাৱে আৰ্থিক উত্থান হৈছে। দুই তিনিবাৰ জেললৈ যোৱা ছইবাৰ অপৰাধীয়ে জিলাখনত গঢ়িছে সম্পত্তিৰ পাহাৰ। ছইবাৰ অপৰাধীৰ অৰৈধ সম্পত্তিৰ উৎসৰ ইডি-চি আই ডি তদন্তও দাবী কৰিছিল বিধায়ক গৰাকীয়ে। ছইবাৰ অপৰাধীৰ নিৰ্মূলৰ বাবে প্ৰয়োজনত নতুন আইন আনিব লাগে বুলিও সৰব হৈছিল বিধায়ক গৰাকী। বিধায়কৰ এনে প্ৰশ্নৰ পাছতে সক্ৰিয় মৰিগাঁও আৰক্ষী। এক নিশাই গ্ৰেপ্তাৰ ৬ ছইবাৰ অপৰাধী। বিধায়ক গৰাকীয়ে আনকি পূৰ্বে মৰিগাঁও জিলা আৰক্ষীৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ নেতৃত্বত চলা অভিযান হঠাত বিষয়া গৰাকীৰ বদলিৰ পিছত ভিমিত হোৱা বুলিও অভিযোগ আনিছিল। বিধায়ক গৰাকীৰ প্ৰশ্ন উত্থাপন কৰিছিল যে সমীৰণ বৈশ্যৰ নেতৃত্বত তিনি বছৰত জিলা খনত ৩০৫ টাকৈ চাইবাৰ অপৰাধী গ্ৰেপ্তাৰ হৈছিল। কিন্তু বৰ্তমান সেই অভিযান কিয় স্তব্ধ হ'ল। জিলাখনত ছইবাৰ অপৰাধী শেষ হৈছে নে এয়া বৰ্তমান আৰক্ষীৰ আদক্তা। বিধায়ক গৰাকীৰ এনে অভিযোগক মান্যতা প্ৰদান কৰি মন্ত্ৰী পীযুষ হাজৰিকাই কঠোৰ ব্যৱস্থাৰ আশ্বাস দিছিল। আনকি সদনত ছইবাৰ অপৰাধীৰ বিৰুদ্ধে কঠোৰতম পদক্ষেপ লোৱাৰ বাবে সৰ্বসম্মত সিদ্ধান্ত গ্ৰহণ কৰিছিল। এনে সিদ্ধান্তৰ তিনিদিনৰ পাছতে পুনৰ ছইবাৰ অপৰাধীৰ হট স্পট ভুৰাগাঁও, মিকিবভেটা, লাহৰীঘাট, মৈবাৰাৰী থানা এলেকাত চলিল ছইবাৰ অপৰাধীৰ বিৰুদ্ধে অভিযান। আৰক্ষীৰ দলটোত চাইবাৰ অপৰাধী কেইটাৰ পৰা নগদ ২ লাখ ২৫০০ টকা, বহু কেইখন বেংক পাচবুক, চাইপ মেচিন, কেইবাটাও এটিম, বহুটা মোবাইল ফোন, পাছপোৰ্ট, কেবাটাও প্ৰিণ্টাৰছৰ লগতে ভালে সংখ্যক আপত্তি জনক নথি পত্ৰ জব্দ কৰিবলৈ সক্ষম হৈছে বুলি অতিৰিক্ত আৰক্ষী অধীক্ষক কংকন কুমাৰ নাথে জানিব দিছে। বিষয়া গৰাকীয়ে জানিব দিয়া মতে পূৰ্বে মৈবাৰাৰী থানাত পঞ্জীয়ন হৈ থকা এটি ছাইবাৰ গোছৰৰ ভিত্তিত এই বাৰজনক গ্ৰেপ্তাৰ কৰা হৈছে।

ধেমাজিত জীয়াঢলৰ সোঁতে মথাউৰি

পুৱা জীয়াঢল নদী পুনৰ ফেনে-ফুটকাৰে বাঢ় আছিছে। অৰুণাচল প্ৰদেশত হোৱা প্ৰবল আৰু নেবানেপোৱা ৰবষুণৰ পৰিপ্ৰেক্ষিতেতেইনদীৰ জলস্তৰ ক্ৰমবৃদ্ধিত বৃদ্ধি পাইছে। ইয়াৰ ফলত ধেমাজি জিলাৰ কেইবাটাও অঞ্চলত নতুনকৈ বানপানীৰ সৃষ্টি হৈছে আৰু নদীৰ পানী হাটত সম্প্ৰসাৰিত হৈ বিভিন্ন স্থানত ধ্বংসেলালী চলোৱাৰ আশংকা দেখা দিছে। চুবীয়া অৰুণাচল প্ৰদেশত হোৱা অতিবৃষ্টিৰ বাবেই জীয়াঢল নদীৰ পানী ডেয়ামলৈ বোৱাই আনিছে। কম সময়ৰ ভিতৰতে বসতিছলসমূহ প্লাবিত হৈ পৰিছে। আটাইতকৈ বেছি প্ৰভাবিত হোৱা অঞ্চলসমূহৰ ভিতৰত কমলপুৰ-ধৰ্মপুৰ গাঁও অন্যতম। পুৱাই জীয়াঢল নদীৰ এটা সুঁতিয়ে নিজৰ গতিপথ সলনি কৰি মথাউৰি ভাঙি পেলাইছে।

বানপীড়িত চাৰি জিলাৰ

অনুমোদন কৰা হ'ছে। শনিবাৰে সাম্বাজিক মাধ্যম এক্সত এই কথা ঘোষণা কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে শিশুসকলৰ শিক্ষা প্ৰদানৰ ক্ষেত্ৰত কোনো প্ৰকাৰ বাধাই যেন নাহে, তাৰ বাবেই এই ধনৰাশি আগবঢ়োৱা হৈছে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা প্ৰকাশিত এক প্ৰেছ বিবৃত্তি অনুসৰি, এই ধনৰাশি মুখ্যমন্ত্ৰী সাহায্য পুঁজি অসমৰ সংস্থা একাউণ্টৰ পৰা সমগ্ৰ শিক্ষা, অসমৰ সংস্থা একাউণ্টলৈ হস্তান্তৰ কৰা হৈছে। বিশেষভাবে উল্লেখযোগ্য যে এই অনুদান 'ক' শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ শিক্ষাৰীসকলৰ ইউনিফৰ্ম ক্ৰয়ৰ বাবে প্ৰদান কৰা হৈছে, যাতে বানৰ প্ৰকোপত ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালৰ শিশুৰেও কোনো অসুবিধাৰ সম্মুখীন নহয়। উল্লেখ্য যে শিবসাগৰ, চৰাইদেউ, গোলাঘাট আৰু যোৰহাট জিলাত প্ৰলংকাৰী বানে ব্যাপক ক্ষয়ক্ষতি কৰিছে। বানৰ ফলত বহু বিদ্যালয় বোকাত বুৰ যৈ আছে, যাৰ বাবে এই জিলাসমূহত শিক্ষাৰ্থীসকল বিদ্যালয়লৈ যোৱাৰ পৰিবেশ এতিয়াও লাভ কৰা নাই। আনহাতে বাজাৰ আন প্ৰায়বোৰ বিদ্যালয়ত পঠন-পাঠন প্ৰক্ৰিয়া আৰম্ভ হৈছে, কিন্তু বানাক্ৰান্ত তিনি জিলাৰ শিক্ষা ব্যৱস্থা সম্পূৰ্ণ বিপৰ্যয়ৰ সম্মুখীন হৈছে। শুকুৰবাৰে মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে ঘোষণা কৰিছিল যে বানত ক্ষতিগ্ৰস্ত শিক্ষাখণ্ডক পুন সচল কৰিবলৈ বিশেষ পদক্ষেপ লোৱা হৈছে। তেওঁ উল্লেখ কৰে যে শিবসাগৰ জিলাত গুণ্ডত্তুঘৰ বিদ্যালয় ক্ষতিগ্ৰস্ত হৈছে, আনহাতে চৰাইদেউ জিলাতো বহু বিদালয় বানৰ পানী আৰু কাদাত পৰিছে। এই পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে যে অহা ৫ আৰু ৬ আগষ্টৰ ভিতৰত ক্ষতিগ্ৰস্ত বিদ্যালয়সমূহৰ ২১ পৰা ৩ লাখ টকাকৈ আৰ্থিক সহায় প্ৰদান কৰা হ'ব। লগতে তেওঁ অহা ৯ আগষ্টৰ পৰা বানাক্ৰান্ত অঞ্চলসমূহৰ বিদ্যালয়সমূহ পুনৰ খোলাৰ লক্ষ্য নিৰীক্ষণ কৰা বুলিও ঘোষণা কৰে। বানপীড়িত ছাত্ৰ-ছাত্ৰীসকলৰ পোছাক সংগ্ৰহৰ বাবে মুকলি কৰা এই ৭.৬২ কোটি টকাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শিক্ষা ক্ষেত্ৰলৈ কৰা শুকতু আৰু বান-পীড়িতসকলে শিশুৰ পঢ়াত যাতে বাধা নপৰে তাৰ প্ৰতি থকা সজাগতাৰ পৰিচয় দিছে। বাজ্য চৰকাৰে এই কঠিন সময়ত শিক্ষাৰ্থীসকললৈ আগবঢ়োৱা এই সহায়ক বাজ্যবাসীয়ে আদৰেৰে স্বাগতম জনাইছে আৰু শিক্ষাৰ্থীসকলে আশা প্ৰকাশ কৰিছে যে এই ধন তেওঁলোকৰ শিক্ষা অব্যাহত ৰখাত সহায় কৰিব।

শিৰসাগৰৰ বানপীড়িত অঞ্চল পৰিদৰ্শন

ক্ষতিগ্ৰস্ত কৃষকসকলৰ পুনৰ্সংস্থাপনৰ বাবে এক বিস্তৃত কৌশল প্ৰস্তুত কৰাৰ বিষয়ে আলোচনা কৰা হয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে বানপীড়িত কৃষকসকলৰ সকলোধৰণৰ সহায় আগবাঢ়োৱাৰ নিৰ্দেশ দিয়ে। তেওঁ কয় যে কৃষকসকলৰ প্ৰয়োজন আৰু পথাৰৰ অৱস্থাৰ ওপৰত ভিত্তি কৰি পোনপটিয়া বীজ সিঁচাৰ বাবে বীজ অথবা কঠীয়া যোগান ধৰা হ'ব। কৃষি কাৰ্যকলাপ দ্ৰুত পুনৰুজ্জীৱিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ ফলমূল আৰু কৰি শস্যৰ খেতি উৎসাহিত কৰাৰ লগতে কৃষকসকলৰ প্ৰয়োজনীয় কাৰিকৰী সহায় আগবঢ়োৱাৰ নিৰ্দেশ দিয়ে। বৈঠকত বানে বালিৰে ঢাকি থোৱা কৃষিভূমি পুনৰুদ্ধাৰৰ ব্যাৰস্থা আৰু কৃষি পুনৰুজ্জীৱনৰ বাবে জলসিঞ্চন আঁচনিসমূহ সময়মতে ৰূপায়ণৰ বিষয়তো পৰ্যালোচনা কৰা হয়। ইয়াৰ পিছত মন্ত্ৰীগৰাকীয়ে নজিবাত শেহতীয়া বানত প্ৰাণ হেৰুওৱা ১৫ গৰাকী লোকৰ নিকটাত্মীয়ক ৪ লাখ টকাকৈ অনুদানৰ চেক বিতৰণ কৰা। শোকসন্তপ্ত পৰিয়ালসমূহলৈ গভীৰ সমবেদনা জ্ঞাপন কৰি তেওঁ কয় যে কোনো আৰ্থিক সাহায্যই আপোনজনক হেৰুৱাৰ বেদনাৰ ক্ষতিপূৰণ দিব নোৱাৰে, কিন্তু অসম চৰকাৰ সদায় তেওঁলোকৰ কাষত থিয় হৈ আছে। লগতে তেওঁ জানিবলৈ দিয়ে যে মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰা অনুসৰি মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা বানত আপোনজনক হেৰুওৱা প্ৰতিটো পৰিয়ালক অতিৰিক্ত ৪ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। পাছত মন্ত্ৰীগৰাকীয়ে নজিবা সমষ্টিৰ বানপীড়িত নেপালী খুটি গাঁও আৰু চন্দ্ৰক চাহ বাগিচা পৰিদৰ্শন কৰি স্থানীয় লোকসকলৰ সৈতে মত বিনিময় কৰে আৰু স্বাস্থ্য, জনস্বাস্থ্য কাৰিকৰী (PHED) আৰু পশু চিকিৎসা শিবিৰসমূহৰ কাৰ্যকলাপ পৰ্যালোচনা কৰে। তেওঁ বিষয়াসকলক স্বাস্থ্যসেৱা, বিশুদ্ধ খোৱাপানী, অনাময় ব্যৱস্থা আৰু পশু চিকিৎসা সেৱা অবিলম্বে নিশ্চিত কৰাৰ নিৰ্দেশ দিয়াৰ লগতে নজিবা সমষ্টিৰ বানাক্ৰান্ত এলেকাসমূহত প্ৰতিদিনে অন্ততঃ দুটা এনে সংযুক্ত শিবিৰ পৰিচালনা অব্যাহত ৰাখিবলৈ নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে বানত ঘৰ ভাঙি যোৱা অথবা গুৰুতৰভাৱে ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালসমূহক আগ্ৰাধিকাৰ ভিত্তিত গৃহ প্ৰদানৰ বাবে চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি আছে। তেওঁ পুনৰ উল্লেখ কৰে যে ক্ষতিগ্ৰস্ত লোকসকলৰ সময়োপযোগী সহায়, পুনৰ্সংস্থাপন আৰু জীৱিকা পুনৰুদ্ধাৰ নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰ সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ। ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে ৰাজাপুল দুৰবাগাঁৱৰ শেহতীয়া বানত প্ৰাণ হেৰুওৱা নিকপমা দুৰৱা আৰু নিশাধালী দুৰৱাৰ বাসগৃহলৈ গৈ শোকসন্তপ্ত পৰিয়ালৰ সদস্যসকলক সান্ত্বনা কৰি গভীৰ সমবেদনা জ্ঞাপন কৰে।

বান-বিধ্বস্ত জিলাসমূহৰ বিদ্যালয়লৈ

শিবসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ হিতাধিকাৰীসকললৈ ২৫০০ টকাকৈ আগবঢ়োৱাৰ কথা পুনৰ নিশ্চিত কৰে। ইয়াৰোপৰি শিবসাগৰ জিলাৰ ৫৫ হাজাৰ পৰিয়ালে আৰু চৰাইদেউ জিলাৰ ২০ হাজাৰ পৰিয়ালে এককালীন ১৫ হাজাৰ টকাকৈ সহায়ৰ ধন লাভ কৰিব। এই ধন ৩, ৪ আৰু ৫ আগষ্টৰ ভিতৰত প্ৰদান কৰা হ'ব বুলি তেওঁ স্পষ্ট কৰে। এতিয়াও ঘৰলৈ উভতি যাব নোৱাৰা লোকসকলক ১০ আগষ্টৰ ভিতৰত অতিৰিক্ত ১০ হাজাৰ টকা প্ৰদান কৰা হ'ব। শিক্ষা ক্ষেত্ৰলৈ বিশেষ গুৰুত্ব দি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে বানপীড়িত ছাত্ৰ-ছাত্ৰীৰ ইউনিফৰ্ম ক্ৰয়ৰ বাবে মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ পৰা ইতিমধ্যে ৭.৬২ কোটি টকা মুকলি কৰি দিয়া হৈছে। লগতে বানাক্ৰান্ত অঞ্চলৰ বিদ্যালয়সমূহ পৰ্যায়ক্ৰমে ১০ আগষ্টৰ ভিতৰত খোলাৰ চেষ্টা চলোৱা হ'ব। প্ৰতিটো বিদ্যালয়লৈ ২ লাখ ১০ হাজাৰ টকা আৰ্থিক সহায় আগবঢ়োৱা হ'ব। নামঘৰসমূহলৈ ১০ আগষ্টৰ আগতে ১.৫ লাখ টকাকৈ আৰু অংগণবাড়ী কেন্দ্ৰসমূহৰ মেৰামতিৰ বাবে ২ লাখৰ পৰা ২.৫ লাখ টকাকৈ প্ৰদান কৰা হ'ব। বিদ্যুৎ বিল সম্পৰ্কে মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে শিবসাগৰ আৰু চৰাইদেউ জিলাৰ ৩০০ ইউনিট বা তাতকৈ কম ব্যবহাৰ কৰা ঘৰকলা উপভোক্তা আৰু জীৱন ধাৰাৰ অধীনৰ উপভোক্তাসকলক অহা তিনিমাহৰ বাবে বিদ্যুৎ বিল দিব লাগিবহি এই ধন মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ পৰাই প্ৰদান কৰা হ'ব। প্ৰিপেইড ব্যবহাৰকাৰীসকলৰ ৩০০ ইউনিটৰ সমতুল্য বিলোড কৰি দিয়া হ'ব, কিন্তু ৩০০ ইউনিটতকৈ অধিক ব্যবহাৰ কৰা গ্ৰাহকসকলে বিল দিব লাগিব। লগতে শিবসাগৰ আৰু চৰাইদেউৰ বাইজক এইবছৰ মাটিৰ খাজনাৰ পৰা সম্পূৰ্ণ ৰেহাই দিয়া হৈছে। মুখ্যমন্ত্ৰীয়ে বীমা আপত্তিৰ বিষয়টোত বিশেষ গুৰুত্ব আৰোপ কৰি কয় যে শনিবাৰে ৪৬ গৰাকী বীমা কোম্পানীৰ আধাৰ্ক, এমডি আৰু চিইঅ'ৰ সৈতে বৈঠক অনুষ্ঠিত কৰা হৈছে। বীমা আপত্তিসমূহ তৎকালীন নিষ্পত্তি কৰিবলৈ এগৰাকী নোডেল বিষয়া নিয়োগ কৰা হ'ব। বীমা কোম্পানীসমূহে ২৪ ঘণ্টীয়া হেল্পলাইন কৰা প্ৰদান কৰাৰ লগতে পঁনতম মাহলৈ আপত্তি নিষ্পত্তি কৰাৰ প্ৰতিশ্ৰুতি দিছে। উল্লেখযোগ্য যে বান পৰিস্থিতিৰ বাবে অসম লোকসেৱা আয়োগ (APSC)ৰ পৰীক্ষাসমূহ পিছুৱাই দিয়া হৈছে। মুখ্যমন্ত্ৰী সাহায্য পুঁজিত এতিয়ালৈকে ৯, ২২৯ গৰাকী লোকে ক্ষুদ্ৰ পৰিমাণে সাহায্য আগবঢ়াইছে বুলিও তেওঁ কৃতজ্ঞতাৰে উল্লেখ কৰে। অহা ৭ আগষ্টৰ পৰা ক্ষয়-ক্ষতিৰ পৰ্যবেক্ষণ প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি মুখ্যমন

অবিনশ্বৰ গোষ্ঠীৰ গ্ৰীষ্মকালীন নাট কৰ্মশালাৰ সফল সামৰণি

অসম বার্তা, পুৱণিগুদাম, ১ আগষ্ট ঃ নগাঁৱৰ অবিনশ্বৰ গোষ্ঠীৰ আয়োজনত আৰু অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত নগাঁও জিলা প্ৰশাসন তথা ৰূপহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত যোৱা ১৬ জুলাইৰ পৰা ৩০ জুলাইলৈ অনুষ্ঠিত হোৱানাট কৰ্মশালাখনিৰ সফল সামৰণি পৰে। ৰূপহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত নাট কৰ্মশালাৰ সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলে ছখন ছুটি নাটক মঞ্চস্থ কৰে। ৩৪জন প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা উক্ত কৰ্মশালাৰ প্ৰশিক্ষক হিচাপে নাট্যশিক্ষাৰ পাঠদান কৰে ক্ৰমে দীপক বৰা, বাজেন ফুকন, সুস্মিতা শইকীয়া, সীমান্ত কলিতা আৰু ৰবীন শইকীয়াই। প্ৰশিক্ষাৰ্থীসকলে পৰিবেশন কৰা নাট ছখন হৈছে "মিছা কথাৰ ঠেং চুটি", নাট্যকপ- সুস্মিতা শইকীয়া, "শিক্ষাৰ পৰিবেশ", ৰঙা- দীপক বৰা, বেলি আৰু বতাহ, নাট্যকপ- সুস্মিতা শইকীয়া, "মানবতা" - নাট্যকপ -বাজেন ফুকন, "জীয়াই থকাৰ হেঁপাহ" - ৰবীন শইকীয়া আৰু সুস্মিতা শইকীয়া, "আকাশলৈ যাওঁ ৰ'লা"- বচনা- সীমান্ত কলিতা, সামগ্ৰিক পৰিকল্পনা আৰু পৰিচালনা- দীপক বৰা, পৰিচালকসকল ক্ৰমে সুস্মিতা শইকীয়া, বাজেন ফুকন, সীমান্ত কলিতা, ৰবীন শইকীয়া, পোহৰ- বাজেন ফুকন, আহহ সঙ্গীত- ওপকান্ত দাস, সহযোগী- ভাগ্যৰ শইকীয়া, ওপীন কলিতা, ৰূপসজ্জা -নেত্ৰকমল বৰা, সাজসজ্জা- সুস্মিতা শইকীয়া, দৃশ্যসজ্জা -সন্তোষ বৰা, জিতুমণি ডেকা, দীপেন দাস, প্ৰযোজনা নিয়ন্ত্ৰণ- আমিৰ হামজা, মিণ্টু কলিতা। নাট্যানুষ্ঠানৰ শুভ উদ্বোধন কৰে অধ্যক্ষ কুশল গায়নে। নাট্যানুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে নগাঁৱৰ সাংস্কৃতিক উন্নয়ন বিষয়া নম্ৰতা বৰা আৰু আমন্ত্ৰিত অতিথি হিচাপে ভৰেন গায়ন, সোণাবাম বৰা, ইন্দ্ৰ বৰা, মফিদুল হক, কুণ্ডল বৰা উপস্থিত থাকি নাট উপভোগ কৰে। নাটকৰ অংশগ্ৰহণ কাৰী প্ৰশিক্ষাৰ্থীসকল ক্ৰমে কৃষ্ণাংগী বৰা, অংগিতা চৰকাৰ, টুম্পা দাস, ধৰিত্ৰী হাজোৱাৰী, জেনিফা আখটাৰ, বেচবিন চুলতানা, ধানী বসুমতাৰী, পৰিস্মিতা বৰা, সংগীতা দত্ত, অংগিতা দত্ত, জেচমিন আহমেদ, অঞ্জনা ভূএা, নাগিছ স্বপ্নম, নেহাল মাছুদ, তাৰিকুল ছিদ্দিক, হাজেন বালাৰী, নিবিযসুমতাৰী, আছিকা ৰূপসজ্জা -নেত্ৰকমল বৰা, সাজসজ্জা- সুস্মিতা শইকীয়া, দৃশ্যসজ্জা -সন্তোষ বৰা, জিতুমণি ডেকা, দীপেন দাস, প্ৰযোজনা নিয়ন্ত্ৰণ- আমিৰ হামজা, মিণ্টু কলিতা। নাট্যানুষ্ঠানৰ শুভ উদ্বোধন কৰে অধ্যক্ষ কুশল গায়নে। নাট্যানুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে নগাঁৱৰ সাংস্কৃতিক উন্নয়ন বিষয়া নম্ৰতা বৰা আৰু আমন্ত্ৰিত অতিথি হিচাপে ভৰেন গায়ন, সোণাবাম বৰা, ইন্দ্ৰ বৰা, মফিদুল হক, কুণ্ডল বৰা উপস্থিত থাকি নাট উপভোগ কৰে। নাটকৰ অংশগ্ৰহণ কাৰী প্ৰশিক্ষাৰ্থীসকল ক্ৰমে কৃষ্ণাংগী বৰা, অংগিতা চৰকাৰ, টুম্পা দাস, ধৰিত্ৰী হাজোৱাৰী, জেনিফা আখটাৰ, বেচবিন চুলতানা, ধানী বসুমতাৰী, পৰিস্মিতা বৰা, সংগীতা দত্ত, অংগিতা দত্ত, জেচমিন আহমেদ, অঞ্জনা ভূএা, নাগিছ স্বপ্নম, নেহাল মাছুদ, তাৰিকুল ছিদ্দিক, হাজেন বালাৰী, নিবিযসুমতাৰী, আছিকা ৰূপসজ্জা -নেত্ৰকমল বৰা, সাজসজ্জা- সুস্মিতা শইকীয়া, দৃশ্যসজ্জা -সন্তোষ বৰা, জিতুমণি ডেকা, দীপেন দাস, প্ৰযোজনা নিয়ন্ত্ৰণ- আমিৰ হামজা, মিণ্টু কলিতা। নাট্যানুষ্ঠানৰ শুভ উদ্বোধন কৰে অধ্যক্ষ কুশল গায়নে। নাট্যানুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে নগাঁৱৰ সাংস্কৃতিক উন্নয়ন বিষয়া নম্ৰতা বৰা আৰু আমন্ত্ৰিত অতিথি হিচাপে ভৰেন গায়ন, সোণাবাম বৰা, ইন্দ্ৰ বৰা, মফিদুল হক, কুণ্ডল বৰা উপস্থিত থাকি নাট

বিষখোৱাত আঁচনিৰ শুভাৰম্ভ, ভাৰ্চুৱেল সভাত অংশগ্ৰহণ কেবিনেট মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ

অসম বার্তা, গোলকগঞ্জ, ১ আগষ্ট ঃ অসম চৰকাৰৰ ২০২৬-২৭ বৰ্ষৰ অভিলাষী জনকল্যাণমূলক "অৰুণোদয়-৩.০"-ৰ শুভাৰম্ভ উপলক্ষে আজি ধুবুৰী জিলাৰ গোলকগঞ্জ সমন্তিৰ অন্তৰ্গত বিষখোৱা গাঁও পঞ্চায়ত কাৰ্যালয়ত হিতাধিকাৰীসকলক লৈ এক ভাৰ্চুৱেল সভাৰ আয়োজন কৰা হয়। অসমৰ মুখ্যমন্ত্ৰীৰ ভাৰ্চুৱেল ভাষণৰ জৰিয়তে অনুষ্ঠিত এই কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে গোলকগঞ্জ সমন্তিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ। তেওঁ ভাষণত কয় যে "অৰুণোদয়-৩.০" আঁচনিৰ অধীনত বাজাৰ প্ৰায় ৩৭ লাখ মহিলা উপকৃত হ'ব। তেওঁ লগতে উল্লেখ কৰে যে সিহঁতৰ সহায়ৰ উদ্দেশ্যে প্ৰতিগৰাকী অৰুণোদয় হিতাধিকাৰীয়ে ১২৫০ টকাৰ অনুদানৰ ভিতৰত ১৫০ টকা আগবঢ়ায়। ফলত হিতাধিকাৰীসকলে ১,১০০ টকা লাভ কৰিব। এই মানৱীয় পদক্ষেপত অংশগ্ৰহণ কৰা বাজাৰ আই-মাতৃসকললৈ তেওঁ কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানত গোলকগঞ্জ সমজিলাৰ আয়ুক্ত ই য়ুমক্ম আই ওজু কুম, অতিৰিক্ত আয়ুক্ত কাতিক কলিতা, গোলকগঞ্জ খণ্ড উন্নয়ন বিষয়া প্ৰভাতী দত্ত, সহকাৰী খণ্ড উন্নয়ন বিষয়া শিৰু বৰ্মন, বিজে পিৰ গোলকগঞ্জ ব্লক মণ্ডলৰ সম্পাদক অমূল্য কুমাৰ ৰায়, গোলকগঞ্জ ব্লক আঞ্চলিকৰ চেয়াৰমেন ইতি ৰায়ৰ লগতে বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু বহু সংখ্যক হিতাধিকাৰী উপস্থিত থাকে। সভাত উপস্থিত অতিথিসকলে "অৰুণোদয়-৩.০" আঁচনিৰ উদ্দেশ্য, লাভালাভ আৰু সমাজকল্যাণমূলক দিশসমূহ ব্যাখ্যা কৰাৰ লগতে হিতাধিকাৰীসকলক আঁচনিৰ সুফল সঠিকভাৱে গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

দৰং জিলাত বিনামূলীয়া চিকিৎসা শিবিৰ সফলভাৱে সম্পন্ন

অসম বার্তা, খাৰুপেটীয়া, ১ আগষ্ট ঃ হজৰত মৌলানা মুস্তাক আনফৰ নেতৃত্বাধীন দৰং জিলা জমিয়ত সহযোগত আৰু বৰভূএাঁ হোমিঅ' ক্লিনিকৰ উদ্যোগত শনিবাৰে খাৰুপেটীয়া কলেজ ৰোডস্থিত বৰভূএাঁ হোমিঅ' ক্লিনিকত এক বিনামূলীয়া চিকিৎসা শিবিৰ সফলভাৱে অনুষ্ঠিত হয়। সমাজৰ আৰ্থিকভাৱে দুৰ্বল আৰু দৰিদ্ৰ শ্ৰেণীৰ লোকসকলক উন্নত স্বাস্থ্যসেবা আগবঢ়োৱাৰ উদ্দেশ্যে আয়োজন কৰা এই শিবিৰত ৭০০তকৈ অধিক দৰিদ্ৰ আৰু দুখীয়া লোকে চিকিৎসা সেবা গ্ৰহণ কৰি উপকৃত হয়। শিবিৰত বাষ্টীয় বীমা প্ৰাপ্ত চিকিৎসকৰ দ্বাৰা বিভিন্ন ৰোগৰ পৰীক্ষা, স্বাস্থ্য পৰামৰ্শ আৰু প্ৰয়োজনীয় চিকিৎসা সেবা আগবঢ়োৱা হয়। ইয়াৰ লগতে উপস্থিত ৰোগীসকলৰ মাজত বিনামূলীয়াকৈ ঔষধ বিতৰণ কৰা হয়। পুৱাৰে পৰা চিকিৎসা সেবা লাভ কৰিবলৈ বিপুল সংখ্যক লোকৰ সমাগমে শিবিৰস্থলী মুখৰিত কৰি তোলে। আয়োজকসকলে জনোৱা মতে, সমাজৰ পিছপৰা আৰু অসহায় লোকসকলৰ কাষত থিয় দি সহজলভ্য স্বাস্থ্যসেবা আগবঢ়োৱাৰ লক্ষ্যৰে এই চিকিৎসা শিবিৰৰ আয়োজন কৰা হৈছিল। স্থানীয় বাইজে এই মানৱীয় পদক্ষেপক উষ্ম আদৰণি জনোৱাৰ লগতে আগন্তুক দিনতো এনে জনকল্যাণমূলক কাৰ্যসূচী অব্যাহত ৰাখিবলৈ আহ্বান জনায়। উল্লেখ্য যে, দৰং জিলা জমিয়ত আৰু বৰভূএাঁ হোমিঅ' ক্লিনিকৰ যৌথ উদ্যোগত আয়োজিত এই বিনামূলীয়া চিকিৎসা শিবিৰে ৭০০তো অধিক আৰ্থিকভাৱে দুৰ্বল লোকক চিকিৎসা আৰু বিনামূলীয়া ঔষধ প্ৰদান কৰি অঞ্চলটোৰ স্বাস্থ্যসেবাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য মানৱীয় দৃষ্টান্ত স্থাপন কৰিছে।

দুই শতাধিক পৰিয়ালক হয়বৰগাঁও প্ৰেছ ক্লাবৰ বান সাহায্য প্ৰদান

অসম বার্তা, বহা, ১ আগষ্ট ঃ বিগত দুদিন ধৰি হয়বৰগাঁও প্ৰেছ ক্লাব আৰু অসম পঞ্চায়ানভুক্ত ফাৰ্মাচিষ্ট ইউনিয়নৰ যৌথ উদ্যোগত উজনি অসমৰ শিৰসাগৰ জিলাৰ বেতবাৰী, নিমাইজান, জেঙনিকটীয়া আৰু বিজি বোড চাৰিআলিৰ বানপীড়িত বাইজৰ মাজত অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰী আৰু দৰবণাতি বিতৰণ কৰা হৈছে। হয়বৰগাঁও প্ৰেছ ক্লাবৰ সভাপতি দিবাজ্যোতি বৰুৱা, সম্পাদক মোস্তফা কামাল আৰু আৰণ্যৰ অধ্যক্ষ ডাঃ কামাল হাছনৰ নেতৃত্বত ৩০ আৰু ৩১ জুলাইত মঠ চাৰিটা স্থানত ঔষধপাতিৰ লগতে সৰ্মুঠ ৭০০ পৰিয়ালক সাহায্য বিতৰণ কৰিছে। হয়বৰগাঁও প্ৰেছ ক্লাবৰ জ্যেষ্ঠ সাংবাদিক মোস্তফা কামাল আৰু ডাঃ কামাল হাছনৰ নেতৃত্বত প্ৰাঞ্জল কুমাৰ নাথ, খাইকল ইছলাম, আফতাপ হোছেইন, কৌশিক ডেকা, এহিয়া আহমেদ, মেহদী আলমে শিৰসাগৰ জিলাৰ উল্লিখিত স্থানৰ বানপীড়িত বাইজৰ মাজত এই সামগ্ৰীসমূহ বিতৰণ কৰিছে। অসম পঞ্জীয়ানভুক্ত ফাৰ্মাচিষ্ট ইউনিয়ন চমুকৈ আৰণ্যৰ ব্যবস্থাপনাত ডাঃ কামাল হাছনৰ নেতৃত্বত ডাঃ আনফাৰুল ছিদ্দিক, মাছুদ খন্দকাৰ, ফাৰ্মাচিষ্ট মুখাহিদ আহমেদ, বুলবুল ছুহেইন, মিজানুৰ বহমান, চিকিৎসক পৰন বৰাৰ উপস্থিতিত শিৰসাগৰ বেতবাৰী, নিমাইজান আৰু জেঙনিকটীয়াত তিনিটাকৈ বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত কৰি দৰবণাতি বিতৰণ কৰে। শিৰসাগৰ বিজি বোড নিবাসী বিশিষ্ট সমাজসেবক বজুল্লাহ খান আৰু সমাজ সেবিকা আছমা খানমৰ সহযোগত আজি নগাঁৰৰ হয়বৰগাঁও প্ৰেছ ক্লাবৰ ৭ জনীয়া সাঁজতী দলটোৰে বানবিধ্বস্ত অঞ্চলত দুখনকৈ ট্ৰাকত লৈ যোৱা খাদ্য-সামগ্ৰীৰ টোপোলা বিতৰণ কৰা হয়। সেইদৰে এই কাযাৰ্থে ভূয়সী প্ৰশংসা কৰিছে।

ডিব্ৰুগড় জিলা ক্ৰীড়া সম্ভাৰ উদ্যোগত ৫ আগষ্টৰ পৰা ডিব্ৰুগড় 'এ' ডিভিজন ফুটবল লীগ

অসম বার্তা, ষ্টাফ বিপৰ্টাৰ, ডিব্ৰুগড়, ১ আগষ্ট ঃ ডিব্ৰুগড় জিলা ক্ৰীড়া সম্ভাৰ উদ্যোগত প্ৰয়াত মনোজ কুমাৰ পাত্ৰ আৰু প্ৰয়াত 'বগা দাস'ৰ সোঁৱৰণত আয়োজিত ডিব্ৰুগড় জিলা ক্ৰীড়া সম্ভাৰ চিনিয়ৰ "এ" ডিভিজন ফুটবল লীগ-২০২৬ আগষ্ট ০৫ আগষ্টৰ পৰা জকাই ৰূপজ্যোতি সংঘ বাজহ্বা খেলপথাৰ, জকাই আৰু চৌকীদিঘী খেলপথাৰ, ডিব্ৰুগড়ত আনুষ্ঠানিকভাৱে আৰম্ভ হ'ব বুলি সম্ভাৰ ফুটবল বিভাগৰ সম্পাদক অসীম হাজৰিকাই জনাইছে। লীগ প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠান ০৫ আগষ্ট, ২০২৬ তাৰিখে বিষলি ২: ৩০ বজাত জকাই ৰূপজ্যোতি সংঘৰ বাজহ্বা খেলপথাৰ, জকাইত অনুষ্ঠিত হ'ব। এই লীগ প্ৰতিযোগিতাত মুঠ ১০টা দল অংশগ্ৰহণ কৰিব। অংশগ্ৰহণ কাৰী দলসমূহ হৈছে ববৰকৰা এফ চি চি, মিলনজ্যোতি সংঘ, হকচপথাৰ এফ চি, চেঁচা এফ চি, টিমনা এফ চি চি, ব্ৰাদাৰ্ছ এফ চি, বেক-আপ গাইড এফ চি, ৰেঁলৰে ডব্লিউ এছ চি, ৰেলকায় এফ চি আৰু জকাই ৰূপজ্যোতি সংঘ।

মাজুলীৰ পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ ৪১ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অসম বার্তা, উজনী মাজুলী, ১ আগষ্ট ঃ মাজুলীৰ অগ্ৰণী শিক্ষানুষ্ঠান পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় (পূৰ্বৰ পীতাম্বৰ দেৱ গোস্বামী কনিষ্ঠ মহাবিদ্যালয়)'ৰ ৪১ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি উদ্‌যাপন কৰা হয়। ১৯৮৬ চনৰ ১ আগষ্টত প্ৰতিষ্ঠা লাভ কৰা উক্ত বিদ্যালয়খনে প্ৰতিষ্ঠা দিনৰে পৰা সকীয়াতাবে জিলিকি আছে।

প্ৰতিষ্ঠা কালৰ শিক্ষাগুৰুক সম্বৰ্ধনা; বন্যার্তসকলৰ বাবে প্ৰার্থনা

আজি পুৱা বিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত পবিত্ৰ নিশাকৰণ কৰা হয়। তাৰপিছত পীতাম্বৰ দেৱ গোস্বামীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে অধ্যক্ষ অজিত সভাপণ্ডিতে। তাৰপিছত বিদ্যালয় প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলন কৰে অধ্যক্ষ অজিত সভাপণ্ডিতে। উক্ত প্ৰতিষ্ঠা দিৱস উপলক্ষেদুপৰীয়া এঘাৰ বজাৰ পৰা মুকলি সভা অনুষ্ঠিত হয়। বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা উক্ত মুকলি সভাত সভাপতিত্ব কৰে বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি নিৰণ শইকীয়াই। যদু কলিতাই আঁত ধৰা উক্ত মুকলি সভাত আদৰণি ভাষণ প্ৰদান কৰে বিদ্যালয়ৰ অধ্যক্ষ অজিত সভাপণ্ডিতে। সভাত মুখ্য অতিথি হিচাপে বিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ঘনকান্তনাথে তেজাধুৱৰ ভাষণ প্ৰদান কৰি বিদ্যালয়ৰ প্ৰতিষ্ঠা দিনৰ গৌৰবোজ্জ্বল ইতিহাস ব্যাখ্যা কৰে। সভাত বিশিষ্ট অতিথি হিচাপে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা প্ৰতিষ্ঠাপক উপাধ্যক্ষ ওপমণি নাথ, বিদ্যালয়ৰ অভিভাবক সমিতিৰ সভাপতি মাণিক হাজৰিকা, সম্পাদক লক্ষ্য গায়ন, অৱসৰপ্ৰাপ্ত শিক্ষক ডিম্বধৰ দত্তই অংশগ্ৰহণ কৰি শুভেচ্ছা মূলক ভাষণ প্ৰদান কৰে। উল্ল, প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষাগুৰু যামিনী বৰুৱা, নীলমণি বৰা, ডিম্বেশ্বৰ দত্ত আৰু গজেন বৰাক সম্বৰ্ধনা জনোৱা হয়। সভাত শলাগৰ শৰাই আগবঢ়ায় যদু কলিতাই। সভাত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান ৰূপায়ন কৰে। অনুষ্ঠান ৰূপায়ন কৰে। অনুষ্ঠানত বিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। প্ৰতিষ্ঠা দিৱসৰ উক্ত মুকলি সভাৰ আৰম্ভণিতে উজনি অসমৰ বানপানীত মৃত্যু হোৱা সকলৰ বাবে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়।

নিৰ্মাণ শেষ নহওঁতেই খহিল মথাউৰি! ঠিকাদাৰ আৰু জলসম্পদ বিভাগৰ বিৰুদ্ধে আছু-তিৰা ছাত্ৰ নেতাৰ তীব্ৰ হুংকাৰ

অসম বার্তা, বহা, ১ আগষ্ট ঃ বহা দীঘলীআটিৰ পৰা গড়মাৰীলৈ নিৰ্মাণ কৰি থকা কলং নদীৰ মথাউৰিটোত এতিয়া ঠিকাদাৰ আৰু জলসম্পদ বিভাগৰ লৃষ্টিৰ নথ ৰূপ পোহৰলৈ আহিছে। আচৰিত কথা, মথাউৰিৰ কাম এতিয়াও শেষেই হোৱা নাই, তাৰ পূৰ্বেই মথাউৰিটো খহি ধুলিসাৎ হোৱাৰ উপক্ৰম হৈছে। কোটি কোটি টকীয়া আঁচনিখন ঠাই ঠাই কেৱল বালি মাটি দি ঠিকাদাৰে বাইজৰ সুবাকাৰ লৈ হোলা খেলিছে আৰু জলসম্পদ বিভাগে চকু মুদা কৃলিৰ ভাও জুৰিছে। যদিহে কাম সম্পূৰ্ণ নহওঁতেই জৰাজীৰ্ণ হৈ পৰা এই মথাউৰিটো ভাঙি যায়, তেন্তে উজৰ-পূৱৰ প্ৰথমখন মীন মহাবিদ্যালয়, বহা মহাবিদ্যালয় আৰু বহা চৰৰ পাঁবিত হ'ব। আটাইতকৈ হাস্যকৰ আৰু লজ্জাজনক কথাটো হ'ল— যিটো জলসম্পদ বিভাগৰ নাকৰ তলতে এই দুৰ্নীতি চলিছে, মথাউৰি ভাঙিলে জলসম্পদ বিভাগৰ নিজৰে চকনাকৈ কাৰ্যালয়টোও পানীত বুৰ যাব! নিজৰ কাৰ্যালয়টোকে সুৰক্ষিত কৰিব নোৱাৰা এই ব্যৰ্থ বিভাগটোক লৈ এতিয়া বাইজৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। ঠিকাদাৰৰ দাদাগিৰি আৰু বিভাগৰ নিলজ্জ নীৰবতাৰ বিৰুদ্ধে এতিয়া তীব্ৰ হুংকাৰ দি উঠিছে ৰহা আঞ্চলিক ছাত্ৰ সস্থা আৰু তিৰা ছাত্ৰ নেতা। ছাত্ৰ সংগঠন দুটাই চৰম সকীয়নী দি জনাইছে যে বাইজৰ জীৱনক লৈ খেলা এই খেল আৰু সহ্য কৰা নহ'ব। অতি শীঘ্ৰে যদি মথাউৰিটো সঠিকভাৱে নিৰ্মাণ কৰা নহয়, তেন্তে তেওঁলোকে জলসম্পদ বিভাগৰ কাৰ্যালয় ঘেৰাও কৰি দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰ আৰু বিষয়াসকলক বাজহুৱাকৈ চোকা কৰাবলৈ দিবিৰ কৰিব। সেয়ে অতিশীঘ্ৰে ইয়াৰ উচিত ব্যৱস্থা কামনা কৰিছে দল সংগঠন কেইটাই। লগতে উল্লেখ কৰা অনুসৰি এনে ধৰণৰ কৰ্ম ই বিভিন্ন ক্ষেত্ৰত লক্ষ্য কৰি বিপদাপন্ন হোৱা দেখিবলৈ পোৱা গৈছে।

মঙলদৈত বিদ্যুৎ বিভাগৰ তৎপৰতা

উন্মুক্ত ট্ৰেন্সফৰ্মাৰত ফেঙ্কিং নিৰ্মাণ কৰি সুৰক্ষিত কৰিলে জনজীৱন

অসম বার্তা, মঙলদৈ, ১ আগষ্ট ঃ মঙলদৈ বৈদ্যুতিক উপ-সংমণ্ডলৰ অন্তৰ্গত জনাবাম চৌকা অঞ্চলত দীৰ্ঘদিন ধৰি থকা এক বিপজ্জনক জনস্বাস্থ্য তথা সুৰক্ষা সম্পৰ্কীয় সমস্যাৰ ক্ষিপ্ত সমাধান কৰি বিদ্যুৎ বিভাগে এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰাপ্ত তথ্যমতে, কৰিকাৰী গাঁৱৰ মাজেৰে পাৰ হৈ যোৱা তথা জনাবাম চৌকা আদৰ্শ বিদ্যালয়ৰ সন্মুখত থকা এটা উচ্চ ক্ষমতা সম্পন্ন ট্ৰেন্সফৰ্মাৰ দীৰ্ঘদিন ধৰি মুকলি বা উন্মুক্ত অবস্থাত আছিল। সদা ব্যস্ত থকা এই গড়কাণ্ডনী পথটোৰে দৈনিক বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, চিকিৎসালয়লৈ অহা ৰোগী-অভিভাৱক তথা স্থানীয় বাইজ যাতায়াত কৰে। অধিক বিপজ্জনক বিষয় আছিল যে, এজাক বৰষুণ দিলেই এই ট্ৰেন্সফৰ্মাৰটোৰ তলত আঁঠুলৈকে পানী জমা হৈ এক ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিছিল। যাৰ বাবে স্থানীয় বাইজৰ লগতে পোহনীয়া জীৱ-জন্তুৰ জীৱনলৈ তীব্ৰ ভাবুকি আহি পৰিছিল। এই সম্পৰ্কীয়াত বিষয়টোক লৈ যোৱা ১৩ জুলাইত কৰিকাৰা বিশ্বজ্যোতি সংঘৰ সভাপতি প্ৰাঞ্জল ঠাকুৰীয়া, সম্পাদক জিন্টু ডেকা আৰু লেখক তথা সাংবাদিক ভূপেন বাজে স্থানীয় বাইজৰ হৈ মঙলদৈ বিদ্যুতিক উপ-সংমণ্ডল অন্তৰ্গত জনাবাম চৌকা অঞ্চলত দীৰ্ঘদিন ধৰি থকা এক বিপজ্জনক জনস্বাস্থ্য তথা সুৰক্ষা সম্পৰ্কীয় সমস্যাৰ ক্ষিপ্ত সমাধান কৰি বিদ্যুৎ বিভাগে এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰাপ্ত তথ্যমতে, কৰিকাৰী গাঁৱৰ মাজেৰে পাৰ হৈ যোৱা তথা জনাবাম চৌকা আদৰ্শ বিদ্যালয়ৰ সন্মুখত থকা এটা উচ্চ ক্ষমতা সম্পন্ন ট্ৰেন্সফৰ্মাৰ দীৰ্ঘদিন ধৰি মুকলি বা উন্মুক্ত অবস্থাত আছিল। সদা ব্যস্ত থকা এই গড়কাণ্ডনী পথটোৰে দৈনিক বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, চিকিৎসালয়লৈ অহা ৰোগী-অভিভাৱক তথা স্থানীয় বাইজ যাতায়াত কৰে। অধিক বিপজ্জনক বিষয় আছিল যে, এজাক বৰষুণ দিলেই এই ট্ৰেন্সফৰ্মাৰটোৰ তলত আঁঠুলৈকে পানী জমা হৈ এক ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিছিল। যাৰ বাবে স্থানীয় বাইজৰ লগতে পোহনীয়া জীৱ-জন্তুৰ জীৱনলৈ তীব্ৰ ভাবুকি আহি পৰিছিল। এই সম্পৰ্কীয়াত বিষয়টোক লৈ যোৱা ১৩ জুলাইত কৰিকাৰা বিশ্বজ্যোতি সংঘৰ সভাপতি প্ৰাঞ্জল ঠাকুৰীয়া, সম্পাদক জিন্টু ডেকা আৰু লেখক তথা সাংবাদিক

একেদিনাই সম্পন্ন হ'ল ৰাতুল চাঁওৰা আৰু ৰাহেণা আৰাৰ দহা-দোৰা

বানে ধোৱা ৰাজপথত হিন্দু-মুছলিমৰ সম্প্ৰীতি

অসম বার্তা, গেলেকী, ১ আগষ্ট ঃ দুখন ঘৰ, দুটা পৃথক পৰিবেশ... কিন্তু দুয়োখন ঘৰকে বান্ধি পেলাইছে এক অসীম শোকে। প্ৰলয়ংকাৰী বানৰ বিভীষিকাৰে মাজত ৰাজ্যত দেখা গ'ল মানৱতা আৰু ভাতৃত্ববোধৰ এক ব্যতিক্ৰমি তথা হৃদয়বিদাৰক উদাহৰণ। এফালে যদি হিন্দু পৰম্পৰাৰে দহা কাৰ্য, আনফালে ইছলামিক প্ৰথাৰে দহদিনৰ 'দোৰা'। বানে সকলো কাঢ়ি নিয়াৰ পাছত এতিয়া হিয় হ'বলৈ অলপ মাটিও নথকাত অবশেষত ৰাজপথতেই সম্পন্ন কৰা হ'ল দুয়োটা দহা আৰু দোৰাৰ কাৰ্যসূচী। উল্লেখযোগ্য যে প্ৰলয়কাৰী বানৰ কাৰণে গৃহহীন হৈ পৰিছিল অঞ্চলটোৰ বহু পৰিয়াল। এই বানৰ সতে যুঁজি থাকোঁতেই সংঘটিত হৈছিল এই হৃদয়বিদাৰক ঘটনা। বানত তাগুৰ পৰা ৰাহেণা আৰা বেগম নামৰ মহিলাগৰাকীৰ প্ৰাণ বচাবলৈ যাওঁতেই অকাল মৃত্যুক সাৰটি লৈছিল ৰাতুল চাঁওৰা নামৰ সাহসী যুৱকজনে। মানৱতাৰ ঘাতিতে নিজৰ প্ৰাণকে আহুতি দিছিল বীৰ হৃদয়ৰ ৰাতুলে। আজি আছিল দুয়োৰে শ্ৰাদ্ধ আৰু দোৱাৰ দিন। কিন্তু বানে ধোৱা ঘৰত এই কাৰ্যসূচী পালন কৰাৰ কোনো উপায়নাহিল। ঘৰ-বাৰী কলিৰ পানীৰ তলত থকাৰ বাবে অবশেষত ৰাজপথতেই আয়োজন কৰিবলগীয়া হয় এই অন্তিম কাৰ্যসূচী। বীৰ লাতিত সেনাৰ উদ্যোগত আৰু স্থানীয় বিভিন্ন দল-সংগঠন, সৰাবকৰ্মী, সমাজসেবক ইমদাদ আলীৰ লগতে সমগ্ৰ স্থানীয় বাইজৰ অশেষ সহযোগত দুয়োটা শোকাকুল পৰিয়ালৰ বাবে পৃথকে পৃথকে ৰাজপথতেই এই বাজহ্বা দহা আৰু 'দোৰা' অনুষ্ঠানৰ আয়োজন কৰা হয়। একেটা স্থানতে এফালে হিন্দু ধৰ্মীয় পৰম্পৰাবে ৰাতুল চাঁওৰাৰ দহা আৰু আনফালে মুছলিম প্ৰথাবে ৰাহেণা আৰা বেগমৰ দহদিনৰ 'দোৰা' সমাপন হয়। বানৰ দুৰ্যোগেও ম্লান কৰিব নোৱাৰিলে মানৱতাৰ এই মহান আদৰ্শ। একেখন ৰাজপথতে দুটা বিপৰীতধৰ্মী ধৰ্মীয় ৰীতি-নীতিৰ এই সহবস্থানে বৰ্তমান সমগ্ৰ ৰাজ্যতে গভীৰ আৰবণৰ সৃষ্টি কৰিছে আৰু সকলোৱে চকু পানী টলাইছে।

বিহপুৰীয়া সমষ্টিৰ জয়পুৰত অনুষ্ঠিত হ'ব ৰুদ্ৰ যজ্ঞ

অসম বার্তা, বান্দৰদেৰা, ১ আগষ্ট ঃ লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তবর্তী বিহপুৰীয়া সমষ্টিৰ অন্তৰ্গত জয়পুৰত সপ্তাহ জোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব বৃহত্তৰ কাৰ্যসূচীৰে ৰুদ্ৰ যজ্ঞ। অহা বৰ্ষৰ ২৫ জানুৱাৰীৰ পৰা ৩১ জানুৱাৰীলৈকে চলিব লগিয়া এই মহাযজ্ঞত অযোধ্যা, গয়া, কাশীকে ধৰি ভাৰতৰ কেইবাখনো পীঠ স্থানৰ পৰা সাধু সন্ন্যাসীসকলে অংশগ্ৰহণ কৰিব। ইয়াৰ উপলক্ষে আজি জয় পুৰ সৰ্বমঙ্গলা মা শিৰ মন্দিৰৰ বঙ্গমণ্ডত তিলক বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এখন ৰাজহুৱা সভাত অতুল হাজৰিকাক সভাপতি ৰঞ্জন